চান্দমামা

ডিছেমবাৰ ১৯৯৩



১০টা পাৰ্থক্য বিচাৰি উলিওৱা



উত্তৰ :

১। ফুলত পাহিৰ সংখ্যা বেছি আছে।
২। ভাটৌটোৰ ঠোঁট খোলা আছে।
৩। ভাটৌটোৰ ডিঙিত ৰঙা পটি আছে।
৪। ছোৱালীজনীৰ চকু খোলা।
৫। ছোৱালীজনীয়ে হাঁহি আছে।
৬। তাইৰ ফ্ৰকত তৰা আঁকা আছে।
৭। ছোৱালীজনীৰ খাকডাল মুকুতাৰে ভৰি আছে।
৮। কুকুৰটোৰ জিভাখন ওলাই আছে।
৯। প্লেটত পাৰ্লেৰ নাম লিখা আছে।
১০। প্লেটত মেঙ্গোবাইট খোৱা আছে।

পাৰ্লে
মেঙ্গো
বাইট

everest/93/PP/170-as

Now Writing is a pleasure with LION Novelty

Introducing the winning edge

NEW RANGE OF FANCY PENCILS.

Lion's **Novelty** Pencils have **Mythologies** from the **Ramayan, Mahabharat** and **Shri Krishna Leela** in colourful pictures. Making it interesting and easier for children to understand ethics.

Decorative pencils with **Birthday** Greeting messages, **Rainbow** colours and **Alphabets** are a silent language of love.



Pencils with action-packed pictures of the **Turtles, Hi.... Cat** and **Ping Pong** brim **'YOUNG SMARTIES'** with overpowering confidence.



LION **PINKY** PENCILS

Pinky, the charming beauty garbed in floral attire is all ready to allure every young boy and girl in town. She has claimed 'The Beauty And The Brain Pencil' title already.



Manufactured by
LION PENCILS LTD.,
MARKETING DIVISION
95, PARIJAT, MARINE DRIVE, BOMBAY-400 002. TEL: 296856, 2089926

National-960

চান্দমামা

*

ডিচেম্বাৰ ১৯৯৩

এই * আছে

সংখ্যাত

*

নিজক পৰীক্ষা কৰাৰ দিন	:	৭
শান্তিৰ কৰমৰ্দন	:	৯
যোগ্যভোগ্য	:	১১
জিভা-কটা জীভেন্দ্ৰ	:	১৬
অভিশপ্ত পুষ্প	:	১৭
উচিত-অনুচিত	:	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
দক্ষতাৰ-পৰীক্ষা	:	৩৭
শিল্পী কাক বোলে	:	৪০
সম্বাদ বিচিত্ৰা	:	৪৪
বীৰ হনুমান	:	৪৫
অনন্তৰ ছো	:	৫৩
অকণিৰ বাতৰি	:	৫৮
ঠিক চাই টোকোন	:	৬০

আৰু 'বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য' ইত্যাদি

*

Karishma/SW/6/2016 AS A

Sunday, Piano, Nursery Rhymes
It's Morton for me all the time
MORTON
SWEETS
I Love my Sundays ..... Nursery Rhymes and my Mummy close to me and Mortons
all the time. It has been our Family's favourite for years and years.
Delicious and yummy in so many flavours. All with the goodness of
Creamy Milk, Glucose and Sugar.
Chocolate and Coconut Cookies, Rose Eclairs, Supreme
Chocolate and Coconut Toffees, Lacto Bonbons Mango King
and so many other delicious treats.
Um m m m m Every bite a yummy delight.
A lifetime of real goodness
MORTON CONFECTIONERY &
MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418 Dist. : Saran, Bihar
CC/M-1/93
Caution Notice :
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

নিজক পৰীক্ষা কৰাৰ দিন

পৃথিৱীৰ অন্যতম পৰম মানৱ বুলি আমি যিজনক স্বীকাৰ কৰোঁ, এই মাহৰে পঁচিছ তাৰিখৰ দিনা তেওঁৰ জন্মদিন ! কিন্তু অন্তৰত যদি সেই মহাত্মাৰ মাহাত্ম্য পৰিস্ফূট নহয়, কেৱল চন-তাৰিখ মিলাই জন্মদিন পালন কৰাৰ সাৰ্থকতানো কি ? এই বিশেৰ দিনটিত পৃথিৱীৰ দেশে দেশে তেওঁৰ স্তুৰধ্বনি মুখৰ হৈ উঠিব, আৰু একেলগেই পৃথিৱী ভ্ৰাতৃহত্যাৰেও ৰক্তাক্ত হৈ উঠিব—এয়ে যদি হয় মহাত্মাৰ মাহাত্ম্যলৈ আমাৰ অৰ্ঘ্য, তেনেহ'লেনো সেই অৰ্ঘ্য কাৰ বাবে ?

এই গৰাকী মহাত্মাই পৃথিৱীৰ সৰ্বমানুহক পৰমপিতাৰ সন্তান বুলি আহ্বান জনাইছিল, সকলোকে ভাই বুলি বুকুত সাৱটি লৈছিল, আনকি মানুহৰ বাবে প্ৰাণোৎসৰ্গ কৰিছিল মিলনৰ আহ্বান জনাই। কিন্তু তেওঁৰ আহ্বানলৈ আমি যুগে যুগে প্ৰত্যাখ্যানহে প্ৰদৰ্শন কৰি আহিছোঁ।

বেদমন্ত্ৰত আছে : পিতা নোঽসি। তাৰে লগতে প্ৰাৰ্থনা আছে : পিতা নো বোধি। তেওঁ যে আমাৰ পিতা এই বোধ আমাৰ অন্তৰত পৰিস্ফুট হওক। কেৱল এদিনৰ স্তুৰ-গানেৰে সেই পৰমসত্যক আঁৰ আমি নকৰোঁ যেন।

আমাৰ উদ্ধত মস্তক ধূল্যৱলুণ্ঠিত হওক, আমাৰ কণ্ঠ হওক নিৰৱ অশ্ৰুৰে আমাৰ সৰ্বপ্ৰকাৰ অপমান-অৱমাননাকৰ অহংকাৰক ধুই-মচি নিকা কৰক।

বৰদিন নিজক পৰীক্ষা কৰাৰ দিন, নিজক নম্ৰ কৰাৰ দিন।

বছৰ : ১৮   ডিছেমবাৰ ১৯৭৩   সংখ্যা : ৯

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা

“চকচকীয়া নিপ, আকাৰত দীপলীপ
হমৱৰ্ক কৰাত মোৰ কেমলিন তীখৰজিং !”

আমাৰ কনমান পাশাৰ ৰহস্য — কেমলিন
ফাউন্টেইন পেন । ইহঁতৰ উৎকৃষ্ট নিপৰ
জোৰত লিখিব পাৰি সলসলীয়াকৈ—
খৰটকীয়াকৈ । গতিকেই আমাৰ কনমানি
পাশাই হমৱৰ্ক কৰিব পাৰিব টিপিকতে ।
আৰু খেলাৰ বাবে সময়েই সময় !

camlin

নলে গলে লগা সংগী ।

Contract CL.922.93.As

শান্তিৰ কৰমৰ্দন

এই শান্তিৰ কৰমৰ্দনৰ অন্তৰালত আছিল মাত্ৰ দুখন চিঠি'। দীৰ্ঘকালৰ দুই শত্ৰু, ইহুদি আৰু প্যালেস্তিনীয়সকল—এই দুখন চিঠিৰ যহতে হ'ল মিত্ৰ। এই দীৰ্ঘকালৰ শত্ৰুদ্বয়ে, পাৰস্পৰিক শত্ৰুতাক পৰিত্যাগ কৰি, যোৱা ১৩ ছেপটেম্বাৰৰ দিনা মিত্ৰতাৰ ডোলেৰে আৰদ্ধ হোৱাৰ চুক্তিত স্বাক্ষৰ কৰা হ'ল। ইস্ৰায়েলেৰ বিদেশ মন্ত্ৰী মি. শিমোন পেৰেজ আৰু পালেস্তিনীয় লিবেৰ্যাল অৰ্গানিজেনেশ্যনৰ ৰাজনৈতিক বিভাগৰ বৰমূৰীয়া মি. মাহোদ আব্বাছে এই শান্তি-স্বাক্ষৰ কৰিছিল। পৃথিৱীৰ বিভিন্ন দেশৰ নেতাৰ মাজত থিয় হৈ ইস্ৰায়েলেৰ প্ৰধানমন্ত্ৰী ইজহাক ৰ্যাবিন আৰু পি. এল. অ' চেয়াৰম্যান য়াছেৰ আৰাফতে কৰিছিল শান্তিৰ কৰমৰ্দন।

বিগত প্ৰায় চাৰি দশক কাল ইহুদি আৰু আৰৱসকলে ভয়ংকৰ সংঘৰ্ষত লিপ্ত হৈ আছিল। ইহুদিসকলে প্যালেস্তিনীয় লোকসকলক তেওঁলোকৰ নিজ বাসভূমিৰপৰা গাৰ বলেৰে খেদি পঠাইছিল। বৰ্তমান শান্তি-স্বাক্ষৰে ওয়েস্ট ব্যাংক আৰু গাজা ষ্ট্ৰিপৰ ৩০০,০০০ পালেস্তিনীয়ক স্বায়ত্ত-শাসনৰ সুবিধা প্ৰদান কৰিলে। অহা দুবছৰ মাজত আন বহুতো প্ৰগতিমূলক পথলৈ পদক্ষেপ লোৱাৰ এয়ে হ'ল প্ৰথম খোজ।

২২ মাহৰ আপ্ৰাণ চেষ্টাত এসময়ৰ এই দুই ভয়ানক শত্ৰুৰ মাজত হোৱা শান্তি-স্বাক্ষৰৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰসংঘই কৈছে : "যেৰুজালেমৰ, বা সান্নিহিত অন্যান্য উপনিবেশৰ, ভগনীয়াসকলৰ আৰু সীমান্তৰ সমস্যাৰো সমাধানৰ দায়িত্ব প্যালেস্তিন আৰু ইস্ৰায়েলেই যুগ্মভাবে কঢ়িয়াৰ লাগিব।"

এই বিবাদ-বিসম্বাদৰ সৃষ্টি হৈছিল ১৯১৭ চনৰ ২ ডিছেম্বাৰৰ ব্যালফোৰ ঘোষণাৰ-পৰা। তেতিয়াৰ দিনত লিগ অৱ নেশ্যনছৰ পতাকাৰ তলত বৃটেইনে প্যালেস্তিন শাসন কৰিছিল। তেতিয়াৰ বৃটেইনৰ বিদেশমন্ত্ৰকৰ ছেক্ৰিট্যাৰি লৰ্ড আৰথাৰ ব্যালফোৰে অ'ত ত'ত সিঁচৰতি হৈ থকা ইহুদি লোকসকলৰ কাৰণে তেওঁলোকৰ 'জাতীয় বাসভূমি'ৰ চুপাৰিছ কৰিছিল।

মি. ব্যালফোৰৰ এই ঘোষণাৰ ফলত ইহুদি নেতৃবৰ্গ সক্ৰিয় হৈ উঠিল, আৰু তেওঁলোকে প্যালেস্তিনত দলে-বলে বসতি স্থাপন কৰিবলৈ ধৰিলে, আৰু কিছুদিনৰ অন্তত তেওঁলোকে সমগ্ৰ প্যালেস্তিনকে তেওঁলোকৰ নিজস্ব পিতৃভূমি বুলি দাবী জনালে।

তেতিয়া ব্যালফোৰ মহোদয়ে স্পষ্ট ভাষাৰে ক'লে যে তেওঁ ইহুদি জনসাধাৰণক প্যালেস্তিনত বসতি কৰিবলৈহে কৈছিল, প্যালেস্তিন অধিকাৰ কৰিবলৈ কোৱা নাছিল। কিন্তু তেতিয়া আৰু ব্যালফোৰীয় ধৰ্মৰ কাহিনী শুনোতা ইহুদিসকলৰ মাজত নোলাল। বৰঞ্চ তেওঁলোকে প্যালেস্তিনৰ প্ৰকৃত অধিবাসীসকলক তেওঁলোকৰ নিজ বাসভূমিৰপৰা খেদিলে।

দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-৪৫) অন্তত প্যালেস্তিনত আৰব লোকতকৈ ইহুদি লোকৰ সংখ্যা ঢেৰ বাঢ়িল আৰু ইহুদিহঁতৰ মাজত নিজ-পিতৃভূমি হিচাপে প্যালিস্তিন দখল কৰাৰ দাবীও বাঢ়ি উঠিল। ১৯৪৮ চনৰ ১৪ মে'ৰ দিনা ইস্ৰায়েলে এক পক্ষীয়-ভাবে প্যালেস্তিনক তেওঁলোকৰ বুলি ঘোষণা কৰিলে আৰু তেতিয়া, ১৯৪৮ চনৰপৰা ১৯৮৮ চনলৈকে আৰৱ-ইস্ৰায়েল দুয়ো পক্ষৰ মাজত 'নাই ৰঙামাটি নাই গুৱাহাটী' চলি থাকিল।

১৯৯০ চনত তদানীন্তন ছোভিয়েত ইউনিয়ন আৰু আমেৰিকায়ো ইহুদি-আৰৱ দুয়োপক্ষৰ ওচৰলৈ আপোচ-মীমাংসাৰ বাবে আবেদন জনালে। এই প্ৰস্তাৱলৈ ৰাষ্ট্ৰসংঘয়ো সমৰ্থন জ্ঞাপন কৰিছিল, আৰু তৃতীয় এটি পক্ষ—স্পেইন দেশ ১৯৯১ চনত এই বিষয়ে উদ্যোগী হৈ ২২ মাহৰ অক্লান্ত-অবিশ্ৰান্ত প্ৰচেষ্টাৰে আজিৰ এই শান্তি-স্বাক্ষৰৰ বাট কাটিছিল। স্পেইনৰ উদ্যোগত পি. এল. অ'. চেয়াৰম্যান য়াছেৰ আৰাফতে ইস্ৰায়েলেৰ প্ৰধানমন্ত্ৰী মি. ইজহাক ৰ্যাবিনলৈ পত্ৰ লিখিছিল, আৰু নৰৱেৰ বিদেশ-মন্ত্ৰী মহোদয়ৰ অক্লান্ত বুজনিৰে ইস্ৰায়েলেৰ প্ৰধানমন্ত্ৰী মি. ৰ্যাবিনেও শেহান্তৰত পত্ৰ এখনি লিখিছিলে য়াছেৰ আৰাফতলৈ—যাৰ ফলত আজিৰ এই শান্তি-স্বাক্ষৰ আৰু শান্তিৰ কৰমৰ্দন হ'ল।

শান্তিৰ ইচ্ছা থকা হলে শত্ৰুও যে মিত্ৰ হয়, এই শান্তি-স্বাক্ষৰ আৰু শান্তিৰ কৰমৰ্দন তাৰ জাজ্জ্বল্যমান প্ৰমাণ।

যোগ্যভোগ্য

লালমণি গাঁৱৰ লাতুমণিজনীৰ কেৱল ৰূপৰে নহয়, গুণৰো, আৰু লগতে বুদ্ধিৰো খ্যাতিৰ কথা নজনা সেই গাঁৱত কোনো নাছিল। তাইৰ বিয়াৰ বয়স হৈছিল; কিন্তু ঘৰত এটা কথাতহে হৈ-চৈ লাগিছিল, তাই যদি বিয়া কৰায়—ললিতক বিয়া কৰাব চাপৰি গাঁৱৰ চিৰস্তাদাৰৰ পুতেক চেনিৰামক নকৰাব। অথচ — তাইৰ দেউতাকে ক'বলৈ গ'লে—চিৰস্তাদাৰৰ লগত প্ৰায় খাটাং কথাকে কৈ পেলালে।

লাতুমণিৰ এনে জুলুম-বাজীৰ কথা শুনি চেনিৰাম নিজেই তাইৰ কাষ চাপিল আৰু তাইক ক'লে, "শুনা, ললিত হ'ল এটা লখ-জীপ নোহোৱা, সিনো তোমাক বিয়া কৰাই সুখ দিব পাৰিবনে? আৰু মোৰ কথা ভাবা, লাগে বুলিলেই সকলো পাই যাবা, বাঘৰ চকু লাগে যদি—তাকো। আৰু—আচল কথা হ'ল—ললিতটো হ'ল লোণ খুটি ভাত খোৱাটো। তাৰ আকল-বুধিও নায়েই বুলিব পাৰি।"

লাতুমণিয়েই চেনিৰামক ক'লে, "কিন্তু—ললিত অতি ভদ্ৰ আৰু বিনম্ৰ। ভদ্ৰতা-বিনম্ৰতাৰো কিছু মূল্য আছে। আৰু—আকল-বুধিৰ কথা যদি কয়—ললিতকৈ অধিক আকল-বুদ্ধি থকা আমাৰ এই গাঁওখনত ওলাব কেইজন?"

"ঠিক আছে, তেনেহ'লে—আমাৰ দুজনৰ মাজত—বুদ্ধিৰ পৰীক্ষা এটা হৈ যাওক। তেতিয়াহে তুমি গম পাবা—ললিতটো যে কিমান বুদ্ধিহীন!"

লাতুমণিয়ে চেনিৰাম আৰু ললিতক বিছ টকাকৈ দিলে, এইখিনি টকাৰে তাইৰ

ইন্দু শৰ্মা

কাৰণে যি মন যায় আনিবলৈ ক'লে।

তাই ললিতক ক'লে, "তুমি লৈ অহা যেই কোনো বস্তুকে মই ভাল পাম। কিন্তু—সেইবুলি ভাল বস্তু আনিবলৈ নিজৰ ভদ্ৰতাক কদাপি পৰিহাৰ নকৰিবা। ভদ্ৰতায়েই হ'ল জীৱনৰ শ্ৰেষ্ঠ বস্তু।"

শুনি—চেনিৰামে মনতে ভাবিলে: এইডাল ললিতক তাইৰ কাৰণে কোনো বস্তুকে মই আনিবলৈ নিদিওঁ। সি ফন্দীয়কে ফন্দি এটা পাঙিলে।

দুয়ো চহৰলৈ বুলি ওলাল। মাজত এডৰা অটব্য হাবি। হাবিৰ মাজেদিয়েই যাব লাগিব। অন্য বাট আছে, কিন্তু সেই বাটেৰে গ'লে কালিলৈহে পাবগৈ। গতিকে—হাবিৰ মাজেদি গৈ থাকিল।

হাবিৰ ভিতৰলৈ সোমাই যোৱাৰ পাছত চেনিৰামে ললিতক ক'লে, "মই এজোপা গছৰ খোৰোঙত কিছু টকা লুকাই থৈছিলোঁ, লৈ আহোঁগৈ। তুমি এ'তে বৈ থাকা। মই পটৈকৈ আহিম।"

গছৰ খোৰোঙত টকা থকাৰ কথা শুনি ললিতে অবাক মানিলে। কিন্তু তথাপি সেই বিষয়ে বিশেষ একো সোধাটো অভদ্ৰতা হ'ব বুলি ভাবি মুমুধিলে। খোৰোঙৰপৰা টকাখিনি আনিবলৈ খোজ লৈয়েই চেনিৰামে ক'লে, "ললিত, লাতুমণিয়ে দিয়া টকা বিছটা মোৰ হাতত দিয়া। ইয়াত তুমি অকলে বৈ থাকিবা—যদি ক'ৰবাৰ কোনোবাটো ওলায়হি—।"

ললিতে টকা বিছটা চেনিৰামক দিলে আৰু চেনিৰাম গুচি গ'ল।

আৰু—চেনিৰামো গুচিল, আৰু ডেগাৰ টোঁৰাই ধৰি গুণ্ডা এটাও ওলাল। গুণ্ডাটোৱে ডেগাৰ টোঁৰাই ধৰি ললিতক ক'লে যে—মৰাৰ যদি মন নাই, তাৰ লগত যি আছে যিমান আছে দিব লাগিব। বেচাৰা ললিতে কিনো কৰিব? সি তাৰ ওচৰত থকা ধনখিনি গুণ্ডাটোক দিলে।

গুণ্ডাটোৱে চেনিৰামৰ লগত—আগৰ বন্দৱস্ত মতে এজোপা গছৰ আঁৰত দেখা কৰিলেগৈ। চেনিৰামে তাক এই কামৰ বাবে বিছ টকা দিলে।

তাৰ পাছত চেনিৰাম ললিতৰ কাষ চাপিল। চেনিৰামে একো নজনাৰ ভাও জুৰিলে। ললিতে ক'লে, "তুমি যি ক'লা, সেয়ে হ'ল, গুণ্ডা এটাই মোৰ আটাইখিনি ধন কাঢ়ি লৈ গ'ল। কেৱল—লাতুমণিয়ে দিয়া টকা বিছটা তোমাক দিছিলোঁ বুলিহে থাকিল।"

দুয়ো চহৰ পালেগৈ। চেনিৰামে ললিতক লগত লৈ গহনাৰ দোকান এখনলৈ গ'ল আৰু বিছ টকাৰেই আটক-ধুনীয়া গহনা এপদ কিনি ল'লে।

কিন্তু ললিতে যেতিয়া আন এপদ গহনা দোকানীক দিবলৈ ক'লে, তেতিয়া দোকানীয়ে ক'লে যে—চিৰস্তাদাৰৰ ল'ৰা আমাৰ ঘৰৰে ল'ৰাৰ নিচিনা। তাক লাগিলে মই বিছ টকা নালাগে—বিনা পইচাৰেই দিম। কিন্তু তুমিনো কোন? তোমাক বিছ টকাত দিব পৰা আমাৰ ইয়াত একো নাই।"

তাৰ পাছত—পুনৰ লালমণি গাঁৱৰ লাতুমণিহঁতৰ ঘৰলৈ উভতি খোজ ল'লে দুয়ো। গৈ গৈ এঠাইত এজোপা গছৰ তলত সাধু এজনক দেখা পাই সিহঁত যেতিয়া ৰ'ল, সাধুৱে সিহঁতক ইংগিতেৰে



“ভদ্ৰতাই ভাগ্যক আহ্বান কৰি আনে যে—জানেনে? যদি মোৰ এই কথাত পতিয়ন যোৱা নাই, মই পুনৰ এবাৰ সুযোগ দিছোঁ।” লাতুমণিয়ে ক'লে।

পাছদিনা, পুনৰ লাতুমণিৰপৰা বিছ টকাকৈ লৈ দুয়ো চহৰলৈ গ'ল। চহৰৰ ভাল গহনাৰ দোকান এখনলৈ গ'ল সিহঁত। দোকানীয়ে ললিতক ক'লে, “ডাঙৰীয়া, আপোনাৰ মুখতে ভাগ্যৰ আভাস দেখা গৈছে। আপুনি আমাৰ দোকানৰপৰা যদি বিনা পইচাৰেও বস্তু নিয়ে—আমি নিজৰ তথা আমাৰ ব্যৱসায়ৰ সৌভাগ্য বুলি ভাবিম।”

কিন্তু বিনা পইচাৰে বস্তু লোৱাত ললিত নাই। গতিকে—বিছ টকাতে অতি সৰু গহনা এপদ দোকানীৰপৰা ল'লে ললিতে। কিন্তু গহনাপদৰ দাম আছিল ঢেৰ বেছি। ললিতে নেদেখাকৈ চেনিৰামেই বাকীখিনি টকা দোকানীক শোধাই দিলে।

গাঁৱলৈ ওভোতা বাটত পুনৰ সেই সাধুজনক লগ পালে সিহঁতে। এইবাৰ চেনিৰামে তাৰ দুৰ্ভাগ্যৰ কথা সাধুজনক ক'লে। সি ক'লে যে—তাৰ টকাখিনি জেপলুকুকাই লৈ গ'ল, আৰু সেইহে সি লাতুমণিৰ কাৰণে একো বস্তুৰেই কিনিব

মাতিলে। সিহঁতে কথাই কথাই সাধুক সিহঁতৰ বিবৰণ তথা লাতুমণিৰ কথাও কোৱাত, সেই সাধুৱে ক'লে, “মই মোৰ দেৱতাৰ আদেশ মতে ভাগ্যহীনহঁতক সহায় কৰোঁ। ললিত, তোমাক মই এই হীৰাৰ হাৰডাল দিছোঁ। এয়া হ'ল তোমাৰ ভদ্ৰতাৰ পুৰস্কাৰ।”

এতিয়া, চেনিৰামৰ গহনা ললিতৰ গহনাৰ ওচৰত মূল্যহীন যেন হৈ পৰিল। চেনিৰামে লাতুমণিক ক'লে, “ললিত এটা বুদ্ধিহীনেই; কিন্তু তাৰ ভাগ্য ভাল বুলিহে সেইডাল সি পালে। এই কথাত তাৰ বাহাদুৰি একোৱেই নাই।”

নোৰৰা হ'ল দোকানৰপৰা।

সাধুজনে চেনিৰামক ক'লে, "তোমাৰ দৰে দুৰ্ভগীয়া আৰু ক'তো-কেনিও বিচাৰি পাবলৈ নাই। তোমাক তোমাৰ দুৰ্ভাগ্যৰ-পৰা বচাবলৈ চেষ্টা কৰোঁ যদি—আমিও তোমাৰ লগতেই মৰিম। গতিকে—ভাগ্যৱানেই হ'ল এই পৃথিৱীৰ বাবে যোগ্য অৰ্থাৎ 'যো গ্য ভো গ্য ব সু ন্ধ ৰা'—এই আপ্ত-বচন মানি লৈ—মই ভাগ্যৱন্ত ললিতকহে পুনৰ সহায় কৰিম এই কামত।" এই বুলি কৈ সাধুৱে আন এডাল হীৰাৰ হাৰ ললিতক দিলে।

দুয়ো যেতিয়া পুনৰ লাতুমণিৰ কাষ চাপিল, লাতুমণিয়ে ললিতৰপৰা জলমলীয়া হীৰাৰ হাৰডাল ৰংমনে ল'লে, আৰু ললিতক ক'লে. "দুৰ্ভাগ্যই যদিও তোমাৰ পিছ লৈছিল, তথাপি, অৱশেষত তোমাৰ নম্ৰতা-ভদ্ৰতায়েই তোমাৰ সৌভাগ্যক আহ্বান কৰি আনিলে। আৰু—"

লাতুমণিয়ে চেনিৰামক ক'লে, "তোমাৰ দুৰ্ভাগ্যই তোমাব পিছ নেৰা হ'ল যে—দেখিছাই। ভাল আৰু বেয়াৰ এয়ে হ'ল পাৰ্থক্য, বুলিছা নহয়?"

এই কথা শুনি, লাজ পাই, চিৰস্তাদাৰৰ পুতেক চেনিৰাম যেতিয়া তলমূৰ হৈ লাহেকৈ খোজ লৈছিল, তেতিয়া লাতুমণিয়ে তাক ৰখালে আৰু ক'লে, "শুনা, চেনিদাদা, এয়া লোৱাঁ আগৰডাল হীৰাৰ হাৰ। মই ললিতৰ হৈ আমাৰ হ'বলগীয়া মবৌ কামাক্ষীলৈ উপহাৰ-স্বৰূপে দিছোঁ।" ক্ষন্তেকমান ৰৈ তাই পুনৰ ক'লে, "শুনা চেনিদাদা, সেই উপকাৰী সাধুজনক যদিও তুমি চিনি পোৱা নাছিলা, তেওঁ আছিল কামক্ষীৰ ককায়েক। সাধুৰ ভেশ লৈ তেওঁ তোমাক এইখিনি সৎবুদ্ধি দিলে যে—যাৰ যোগ্য যি—তাক ল'ব লাগে সি। অৰ্থাৎ—এই পৃথিৱী প্ৰকৃততেই যোগ্যভোগ্য।"



জিভা-কটা জিভেন্দ্ৰ

চন্দ্ৰকান্তক চাকৰি এটা লাগে'। ৰজাঘৰীয়া মানুহ এজনে চন্দ্ৰকান্তক ক'লে, "শুনা, চাকৰি লাগেই যদি, মহাৰাজৰ প্ৰিয়পাত্ৰ সেই জিভেন্দ্ৰনাথক ধৰাগৈ। জিভেন্দ্ৰনাথ হ'ল পক্ষী-বিশাৰদ, ভাল চাই পক্ষী—মানে চৰাই এটা দিবা, হৈ যাব।"

আক-তাক সুধি-পুছি চন্দ্ৰকান্তই জানিব পাৰিলে যে ভাদ মাহৰ সাত তাৰিখ হ'ল জিভেন্দ্ৰৰ জন্মদিন। তেতিয়াও প্ৰায় এমাহেই আছে সেই দিনটোলৈ। চন্দ্ৰকান্তই ভাল চাই ভাটৌ এজনীক কিনিলে আৰু ভাটৌজনীক ভালকৈ মাত-বোল শিকালে। কিনাতেই ভাটৌজনী আছিল মতে:বাল কৰিব পৰা। এমাহৰ পাছত, জিভেন্দ্ৰৰ জন্মদিনত, চন্দ্ৰকান্তই সেই ভাটৌজনীক জিভেন্দ্ৰক উপহাৰ হিচাপে দিলে।

"আপোনালৈ আপোনাৰ জন্মদিনত আন্তৰিক শুভেচ্ছা।" সেই ভাটৌজনীয়ে জিভেন্দ্ৰক ক'লে।

জিভেন্দ্ৰই ভাটৌজনীক ধন্যবাদ দিয়াত, ভাটৌজনীয়েও জিভেন্দ্ৰক ঘূৰাই ধন্যবাদ দিলে।

কোৱা বাহুল্য, জিভেন্দ্ৰনাথে চন্দ্ৰকান্তক চাকৰি এটা দিলে, আৰু তাৰ পাছত সুধিলে, "চন্দ্ৰকান্ত, আৰু কিবা ক'বলগীয়া আছেনে তোমাৰ?"

চন্দ্ৰকান্তই চাকৰিটোৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিলে আৰু সুধিলে, "মই আপোনাৰ জন্মদিনত উপহাৰ দিয়া ভাটৌজনীক আপুনি ভাল পাইছিলনে?"

"খুব ভাল পাইছিলোঁ। আন চৰাই যেনতেন, ভাটৌ হ'ল ৰাণীহেন। ভাটৌৰ মঙহৰ সোৱাদেই বেলেগ। তোমাৰ ভাটৌজনীৰ মাংস খাই মই বৰ তৃপ্তি পাইছিলোঁহে!"

অভিশপ্ত পুষ্প

৭

[আগৰ কথা ঃ সমুদ্ৰী-ৰাক্ষস যে 'শতাব্দিকা' পুষ্পৰ আকৰ্ষণত বলিয়া হৈ উঠিছে, জনপদ ধ্বংস কৰিছে ৰাতিৰ এন্ধাৰত, সেই কথাত এতিয়া আৰু তিলমান সন্দেহো নাই। ভাবি ভাবি—মণিনগৰ-ৰাজ্যৰ ৰজা প্ৰতাপবৰ্মাদেৱে তুংখুল উপজাতিৰ, বিশেষকৈ সেই অপৰিসীম সাহসী যুৱক থংগল বা উ তুঙৰ সহায় লোৱাটোকে সাব্যস্ত কৰিলে আৰু তেওঁ তেওঁৰ এই পৰিকল্পনাত সফলো হ'ল। আটাইবোৰ ফুল আৰু ফুলৰ পুলিবোৰো কাটি লৈ নাৱত বোজাই কৰি উ তুঙে সমুদ্ৰী-ৰাক্ষসটোক অভিশপ্ত পুষ্পেৰে প্ৰলোভিত কৰি খেদিলৈ যাবলৈ এদিন সকলোটিৰপৰা বিদায় লৈ সেই সুদূৰ সমুদ্ৰলৈ যাত্ৰা কৰিলে। আৰু তাৰ পাছত···]

নাও চলোৱাৰ সিমান অভিজ্ঞতা থংগলৰ অৰ্থাৎ উ তুঙৰ নাছিল; বিশেষকৈ সাগৰৰ বুকুত নাও চলোৱাৰ অভিজ্ঞতা একেবাৰেই নাছিল। কিন্তু তথাপি সি এক অতি দুঃসাহসিক অভিযানৰ তথা এক মহৎ উদ্দেশ্য সাধিবৰ বাবে তৰংগ-বিক্ষুব্ধ সমুদ্ৰলৈ ওলাইছিল। উ তুঙে ভাবিছিল যে এই সমুদ্ৰ-অভিযানো নৈৰ বুকুত নাও চলোৱাৰ দৰেই হ'ব—নাৱেৰে নৈৰ পাৰ পোৱাৰ দৰে — সমুদ্ৰৰো ক'ৰবাত পাৰ-তীৰ অৰ্থাৎ মাটি পাই যাব। দূৰ সমুদ্ৰৰ বুকুত য'তেই মাটি পাব, তাতেই এইবোৰ 'শতাব্দিকা পুষ্পৰ পুলিবোৰ পুতি দিব আৰু নাৱত বোজাই

কৰি লৈ যোৱা ফুলখিনিও তাতেই থৈ দিব। আৰু—তেতিয়া সেই ফুলৰ দুৰন্ত আকৰ্ষণত দুৰ্জয় সমুদ্ৰী-ৰাক্ষস চিৰদিন-চিৰকালৰ বাবে সমুদ্ৰৰ বুকতে থাকিব, মণিনগৰ ৰাজ্যৰ কোনো ঠাই ধ্বংস কৰিবলৈ আৰু নহা হ'ব।

কিয়নো, মণিনগৰ ৰাজ্যত সেই অভিশপ্ত তথা শতাব্দিকা পুষ্প আৰু নাই। যি-ও-বা দুই-চাৰি শিপা ৰৈ গ'ল তাত, তাৰপৰা পুনৰ এবাৰ ফুল ফুলোঁতে কমেও এশ বছৰ লাগিব।

বিক্ষুব্ধ সমুদ্ৰৰ মাজেদি গৈ গৈ এইবাৰ থংগলে অৰ্থাৎ উ তুঙে গভীৰ শান্ত সমুদ্ৰ পালেগৈ। গভীৰ সমুদ্ৰত ঢৌ একেবাৰে নথাকা দেখি উ তুং অতিপাত আচৰিত হ'ল। যি হওক, এতিয়া—এই বিশাল সুগভীৰ শান্ত সমুদ্ৰত সি তাৰ ইচ্ছামতে নাও চলাব পৰা হ'ল।

কিন্তু—ইপিনে যে বেলিয়ে ইতিমধ্যে লাহ দিলে, তালৈ উ তুঙৰ খবৰেই নাই। চাওঁতে চাওঁতে নিৰমল ৰাতিৰ আকাশত এটি-দুটিকৈ তৰাই ভুমুকি মাৰিবলৈ ধৰিলে, আৰু ঠিক তেতিয়াই উ তুঙৰ মনৰ দাপোণত ভাহি উঠিল মহাৰাজ প্ৰতাপে কোৱা সমুদ্ৰী-ৰাক্ষসৰ মূৰ্তি। আৰু—সেই ভয়ংকৰ সমুদ্ৰী-ৰাক্ষসটো সমুদ্ৰৰ অতল তলৰপৰা ওলাই অহাৰ এয়েহে সময়! আৰু সি সমুদ্ৰী-ৰাক্ষসে যদি নাওত থকা 'শতাব্দিকা' ফুলৰ সুগন্ধ ইতিমধ্যেই নিশ্চয় পাইছে — গতিকে সি নাওখন আক্ৰমণ নকৰাকৈ থাকিবনে?

হঠাৎ এক অতি সামান্য শব্দ শুনি সেই অঠাই সমুদ্ৰৰ অপাৰ অন্ধকাৰৰ মাজেদি উ তুঙে ঘূৰি চালে। আৰু সেই নিমজ এন্ধাৰৰ মাজতো কিবা এটা যেন দেখা পালে সি। পোনতে সি সেইটোক এটা প্ৰকাণ্ড মাছ বুলিহে ভাবিলে। প্ৰকাণ্ড মাছটোৱে ওপৰৰ বায়ুত নিশাহ ল'বলৈ নিশ্চয় পানীৰপৰা ওলাই আহিছে।

কিন্তু—কিন্তু মাছেও ঘূৰি ফুৰিব পাৰেনে? সেই প্ৰকাণ্ড মাছটোৱে যে সাগৰৰ পানীত লৰি চৰি আছে, সেই কথা অতি স্পষ্ট। সমুদ্ৰৰ বুকুত বিয়পি পৰা ডাঠ অন্ধকাৰ ক্ৰমে ক্ৰমে উ তুঙৰ চকুত সহনীয় হৈ উঠিছে, সি সেই এন্ধাৰৰ আঁৰণিৰ মাজেদি এতিয়া মোটামুটি স্পষ্ট ভাবেই মনিবপৰা হৈছে।

এইবাৰ উ তুঙে সেই প্ৰকাণ্ড মাছ বুলি ভবা জন্তুটোৰ অতি কুৎচ মুণ্ডটো দেখা পাই ভয়-বিস্ময়ে ঠৰ হৈ পৰিল। তিমানতে সেই বিকট অস্বাভাৱিক জন্তুটোৰ অৰ্থাৎ সেই সমুদ্ৰী-ৰাক্ষসটোৰ মূৰ, কান্ধ আৰু মস্ত দীঘল হাত দুখনো স্পষ্টকৈ দেখা পাইছে উ তুঙে। আৰু সেই বিৰাট-বিশাল পৰ্বতাকাৰ জন্তুটোৱে সমুদ্ৰৰ পানীৰ মাজতে ইফালে-সিফালে ঘূৰি ফুৰালৈ চাই অনুমান কৰিছে যে—এইখিনিতো সাগৰ সিমান গভীৰ নহয়। উ তুঙে তাৰ পৰিপূৰ্ণ দৃষ্টি মেলি—মাটি—অৰ্থাৎ সমুদ্ৰৰ তীৰ বা কোনোবা দ্বীপ এটা বিচাৰি থাকিল এই সমুদ্ৰী-ৰাক্ষসক শতাব্দিকা পুষ্পেৰে আকৰ্ষণ তালৈ লৈ যাবলৈ, আৰু নিজেও ৰক্ষা পৰিবলৈ। কিন্তু—সমুদ্ৰৰ পাৰনো ক'ত? .....

সমুদ্ৰী-ৰাক্ষস আৰু উ তুঙৰ অৱস্থানৰ

মাজত ভালেখিনিমানেই দূৰত্ব আছিল। কিন্তু সেই দূৰত্বও ক্ৰমাত কমি আহিব ধৰিছে। সমুদ্ৰী-ৰাক্ষসটোৱে যে উ তুঙৰ কায চাপিবলৈ চেষ্টা কৰিছে সেই কথা অতি স্পষ্ট।

এইবাৰ উ তুঙে তাৰ সৰ্বশক্তিৰে বঠা মাৰিবলৈ ধৰিলে। সমুদ্ৰী-ৰাক্ষসৰ গতিতকৈ যে তাৰ নাৱৰ গতি অধিক—সেই কথাত উ তুং নিশ্চন্ত; যদিও কোনো পাৰ-কূল বা দ্বীপ-উপদ্বীপ বিচাৰি নৈত ঘৰিয়ালৰ দৰে নোপোৱাত সি দুশ্চিন্তিত। কিয়নো, সমুদ্ৰত যে সমুদ্ৰী-ৰাক্ষস তাতকৈ অধিক শক্তিমান হ'ব,

কি—নো?

উ তুঙে তাৰ পৰিপূৰ্ণ দৃষ্টি মেলি সেই সূচীভেদ্য এন্ধাৰৰ মাজেদি চালে আৰু অনুভৱ কৰিলে—সি সাগৰেৰে আগুৰা এক শিলাময় ঠাই পাইছেহি! আনকি—তাৰ নাওখন ওপৰলৈ টানি নি ৰাখি থ'ব পৰা বহল বালিও দেখা পালে সি। আৰু অকস্মাৎ এটা বিৰাট ঢৌৱে তাক তাৰ নাওখনৰে সৈতে সেই বালিময় উপকূলত বগৰাই পেলালে। নাৱত দ'মাই থোৱা 'শতাব্দিকা ফুলবোৰ তাৰ দেহৰ ওপৰত দ'ম খাই থাকিল।

সেই অৱস্থাতো উ তুং জঁাপ মাৰি থিয় হ'ল। শতাব্দিকাৰ আকৰ্ষণত সমুদ্ৰী-ৰাক্ষস যে এই বালিময় প্ৰস্তৰ-দ্বীপ পাবহিয়ে, সেই কথাত তাৰ মনত মুঠেই সন্দেহ নাছিল।

ইতিমধ্যে সমুদ্ৰৰ দিগন্ত পৰিদৃষ্ট হোৱাত উ তুঙে ওপৰলৈ চালে। হয়, ৰাতি পুৱাই আহিছে, পূবে ধলফাট দিওঁ দিওঁ হৈছে। আৰু—আৰু তিমানতে সমুদ্ৰী-ৰাক্ষসো পানীৰ বুকুৰপৰা অদৃশ্য হৈছে।— দিনে-পোহৰে যে সমুদ্ৰী-ৰাক্ষসটো নোলায়, মহাৰাজ প্ৰতাপে কথাটো তাক বুজাই কৈছিল।

বালিত শুই শুই এইবোৰ কথা ভাবি সেই কথাত সন্দেহ কি?

আৰু—এইবাৰ অজস্ৰ তৰাৰ পোহৰত সেই সমুদ্ৰী-ৰাক্ষসটোৰ অতি কুৎচ অতি কদাকাৰ মুখখন দেখা পাই উ তুং উচপ খাই উঠিল।

এতিয়াৰপৰা উ তুঙে প্ৰাণপণে নাও চলাই থাকিল। সমুদ্ৰী-ৰাক্ষসটো ক্ৰমাত তাৰ কাষ চাপি আহিব ধৰিছে, নাও চালোৱাত অলপ ঢিলাই দিলেই সমুদ্ৰী-ৰাক্ষসটোৱে উ তুঙক থাপ মাৰি ধৰিবহি যেন লাগিছে তাৰ।

হঠাৎ কিবা এটা অত্যন্ত টান বস্তুত যেন উ তুঙৰ নাওখনে ঠেকা খালে!

RAZI

তেতিয়া ছয়জনী ছোৱালীয়ে তা৲ৈ আঙুলিয়াই আঙুলিয়াই কিবাকিবি কৈছে আৰু হাঁহি হাঁহি বাগৰি পৰিছে! ছোৱালীকেইজনী দেখাতো অতি ধুনীয়া, সিহঁতৰ সাজ-পাৰো আটকধুনীয়া। কিন্তু সিহঁতৰ কথা-বাৰ্তাৰ এটা শব্দও উ তুঙে বুজি নাপালে।

কিছু সময়ৰ পাছত আকাৰে-ইংগিতে সি সিহঁতৰ এটা-দুটা শব্দ ঠাৰৰ কৰিব পৰা হ'ল। ইতিমধ্যে সিহঁতে তাৰ চাৰিওফালে সিঁচৰতি হৈ থকা আৰু নাৰত থকা সেই শতাব্দিকা ফুলখিনি গোটাই-পিটাই লৈছিলেই। কিন্তু এই ফুলখিনি যদি সিহঁতে তাক আৰু ঘূৰাই নিদিয়া হয়, তাৰে—তাৰো বিপদ, আৰু সিহঁতৰো বিপদ। তেতিয়া সমুদ্ৰী-ৰাক্ষসটোৱে এই ফুলৰ আকৰ্ষণত সিহঁতক ধ্বংস কৰি পেলাব।—কিন্তু এই কথা সি ইহঁতক বুজাই ক'বনো কেনেকৈ?

ছোৱালীহঁতে শতাব্দিকা ফুলখিনি বুকুত হেঁচি ধৰিছিল আৰু ফুলৰ সুঘ্ৰাণ লৈছিল, আৰু মূৰ জোকাৰি পৰস্পৰৰ মাজত কিবাকিবি কৈ আছিল, যিবোৰ কথাৰ আগ-গুৰি মাথা-মুণ্ডৰ উ তুঙে একো এটাও উমান নাপাইছিল।

"মই মণিনগৰৰপৰা এই ফুলখিনি

ভাবি তাৰ চকুযুৰিত কেতিয়া যে টোপনিৰ জেলেকা লাগিল, উ তুঙে ক'ব নোৱাৰে।

হঠাৎ হাঁহিৰ খিল্ খিল্ শব্দ শুনি উ তুং টোপনিৰপৰা সাৰ পাই গ'ল। কিন্তু শুই থকাৰপৰা চাই সি তাত কোনো জনমানুহ্যক দেখা নাপাই পুনৰ চকু মুদিলে। আৰু লগে লগে পুনৰ অনেক নাৰীকণ্ঠৰ হাঁহিৰ শব্দ উঠিল।

এইবাৰ উ তুং উঠি বহিল আৰু তাৰ পিছ ফাললৈ ঘূৰি চাই এক অভাৱিত দৃশ্য দেখি বিস্মিত হৈ পৰিল।

নহয়, সি ভবামতে সি সপোন দেখা নাই। এয়া হ'ল একান্ত বাস্তৱ। তাত

কঢ়িয়াই লৈ আহিছোঁ। ফুলখিনি মোক লাগে, মই এইখিনি লৈ ভিতৰ-সমুদ্ৰলৈ যাম। ফুলখিনি মোক দিয়া।" উ তুঙে সিহঁতক ক'লে।

"মণিনগৰ! মণিনগৰ।"

ছোৱালীকেইজনীয়ে একেলগে কৈ উঠিল, "এ-হে! মণিনগৰ!" আন কোনো প্ৰতিক্ৰিয়া সিহঁতৰ মাজত দেখা নগ'ল, কিন্তু মণিনগৰ নামটো যে সিহঁতৰ চিনাকি নাম—সেই কথাটো বুজা গ'ল।

উ তুঙে তাৰ নাওখনৰ কাষ চাপি গৈ নাওখনলৈ আঙুলিয়াই সিহঁতকেজনীক সুধিলে, "তোমালোকে সেই ফুলখিনি ইয়াৰপৰা ল'লানে?"

উত্তৰত—আন্দাজে-মুন্দাজেই—সিহঁতে মূৰ দুপিয়ালে।

উ তুঙে নাৱৰ ভিতৰভাগলৈ চালে। শতাব্দিকাৰ পুলিবোৰ তাত তেতিয়াও পৰি আছে, সিহঁতে সেইখিনি কিন্তু লৈ যোৱা নাছিল।

উ তুঙে তাৰ নাওখন টানি টানি পানীৰপৰা ভালেখিনি দূৰলৈ লৈ গ'ল আৰু তেতিয়া অতি উৎসুকভাবে তাৰ কাৰ্য্য-কলাপলৈ চাই থকা ছোৱালীকেই-জনীয়ে উ তুঙক সিহঁতৰ লগত যাবলৈ বাৰে বাৰে ইংগিত কৰিলে।

দিনে-পোহৰে সি নাও লৈ সমুদ্ৰলৈ নোলাব, কিয়নো—দিনৰ ভাগত সমুদ্ৰী ৰাক্ষসৰ উম-ঘাম নাপায় সি। গতিকে—এই ছোৱালীহঁতৰ লগত সিহঁতৰ বসতিলৈ গ'লে তাত কোনো লোকচান নাই। আবেলি পৰতে ইয়ালৈ পুনৰ উভতি নাও লৈ সমুদ্ৰলৈ ওলাবহি পাৰিব।

গতিকে—সিহঁতৰ এই প্ৰস্তাৱত উ তুং সহজ ভাবেই সন্মত হ'ল আৰু ছোৱালী-কেইজনীৰ লগে লগে সিহঁতৰ বসতিলৈ গৈ থাকিল।

সিহঁত গৈ থাকিল। এই বিস্তীৰ্ণ প্ৰস্তৰ-দ্বীপত গছ-গছনি সিমান নাই, যিমান

দূৰলৈ দৃষ্টি যায়, ঘাইকৈ শিল আৰু শিল···

এইদৰে গৈ গৈ সিহঁত এটা ডাঙৰ কুটীৰৰ আগত। ৰ'লহি। এজনী ছোৱালীয়ে 'আম্মা—আম্মা!" বুলি মাতিলে। আৰু লগে লগে বয়সস্থা তিৰোতা এজনী ঘৰৰ ভি ত ৰ ৰ প ৰা ওলাই আহি সিহঁতলৈ জিজ্ঞাসাৰ দৃষ্টিৰে চালে।

সিহঁতে সিহঁতৰ মাকক গোটেই ঘটনাটোৰ কথা ক'লে।

তাৰ পাছত, মাকৰ নিৰ্দেশ মতে ছোৱালীহঁত কুটীৰৰ ভিতৰলৈ গ'ল আৰু উ তুঙক বহিবলৈ ইংগিত কৰিলে।

তাত বহি বহি, চাৰিওফালে চাই, গাঁৱৰ বসতিৰ অন্যান্য ঘৰ-দুৱাৰবোৰলৈ চাই, উ তুঙৰ ধাৰণা হ'ল যে এই ঘৰটো নিশ্চয় এই বসতিৰ, বা এই প্ৰস্তৰ-দ্বীপৰ চৰ্দাৰৰ ঘৰ হ'ব। এই কথা ভাবি থাকোঁতেই সেই বয়সস্থা তিৰোতাজনী ঘৰৰ ভিতৰৰপৰা ওলাই আহিল আৰু উ তুঙক ডাঙৰ পাত্ৰ এটাত থকা পানীয় বস্তু পি-খাবলৈ ইংগিত কৰিলে।

তেতিয়া উ তুঙে ভাবি আছিল: সমুদ্ৰী-ৰাক্ষসক পৰ্য্যুদস্ত কৰিবলৈ এই ঠাইৰ মানুহবিলাকৰপৰা কিবা সহায়-সাৰথি পোৱা যাবনে?

ঠিক এনেতে শকত-অৱত ওখ-পাখ সুস্বাস্থ্যৱান সুসজ্জিত বিস্মিত দৃষ্টিৰে উ তুঙলৈ চাই থাকি মানুহ এজন তালৈ আহিল, আৰু সুধিলে, "তুমিনো কোন?"

উ তুঙে মানুহজনৰ এই প্ৰশ্নৰ এটা শব্দও নুবুজিলে। কিন্তু তথাপি ক'লে, "মই—মই থংগল—উ তুং। মই মণিনগৰৰ মায়ং পৰ্বতৰপৰা আহিছোঁ।"

"মা—য়ং! মায়ঙৰ মানুহ তুমি! আহাঁ, ঘৰৰ ভিতৰলৈ আহাঁ!"

মানুহজনে উ তুঙে কোৱা ভাষাৰেই কথাখিনি কোৱাত বিস্মিত হৈ পৰা উ তুঙে বৰ ভাল পালে। [আগলৈ

উচিত-অনুচিত

অদম্য ৰজা বিক্রমাদিত্য পুনৰ দ্রুতগতিৰে সেই গছজোপাৰ ডালৰপৰা মৃতদেহটো নমাই আনিলে আৰু প্রতিজ্ঞা পূৰণার্থে ভূত-প্রেত নিশাচৰ পিশাচৰ বাসভূমি ঘনান্ধকাৰ মৰিশালিলৈ বুলি খোজ ল'লে। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! তুমি যে প্রকৃত ক্ষত্রিয়, তোমাৰ অপাৰ সাহস আৰু ধৈর্য্য তাৰ দেখ দেখ প্রমাণ। কিন্তু কেতিয়াবা কেতিয়াবা সুতীব্র ইচ্ছা তথা পৰিচ্ছন্ন সংকল্পও যে চঞ্চলমতিত্বৰ কাৰণে ব্যর্থ হয়, ৰজা চিত্রবর্ণৰ কাহিনী শুনিলেই সেই কথাৰ উমান ল'ব পাৰিবা। এই কাহিনী শুনি শুনি গৈ থাকিলে, পথশ্রম লাঘৱ হোৱাৰ উপৰিও উচিত কি অনুচিত কি— তাৰ বাস্তৱ দৃষ্টি লাভ কৰিবা।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'

সৌনিৰদেশৰ ৰজা চিত্ৰবৰ্ণ সুশাসক হিচাপে অতি অল্পকালৰ ভিতৰত খ্যাত হৈছিল। ৰাণী ৰাগিনী কেৱল যথাৰ্থ সুন্দৰীয়েই নাছিল, তেওঁৰ ৰাজনৈতিক বুদ্ধিমত্তাৰেও তেওঁৰ পতিক সমস্যাসংকুল অৱস্থাত যথেষ্ট সহায় কৰিছিল।

সৌনিৰদেশৰ উত্তৰ সীমাৰ মহাৰণ্যৰ মাজত আছিল সেই দেশৰ ঐতিহ্যপূৰ্ণ কালী-গোসাঁনীৰ মন্দিৰ। দেশৰ ৰজাই তেওঁৰ সাহস তথা ধৈৰ্য্যৰ পৰীক্ষা দিবলৈ বছৰেকত এবাৰকৈ সেই মহাৰণ্যস্থিত কালী-মন্দিৰলৈ লগত কাকো নোলোৱাকৈ লগীয়া হৈছিল।

এই ঐতিহ্যানুসাৰে ৰজা চিত্ৰবৰ্ণই তেওঁৰ ঘোঁৰাত উঠি এদিন সেই মহাৰণ্যলৈ গ'ল। মহাৰণ্যৰ সোঁমাজত থকা কালী-মন্দিৰ পাওঁতে তেতিয়া আৰু সামান্য বাট, ঠিক তেতিয়াই অৰণ্যৰ কোনোবা ঠাইৰপৰা নাৰীকণ্ঠৰ আৰ্তনাদ শুনি ৰজা চিত্ৰবৰ্ণই ৰৈ দিলে আৰু পাছ মুহূৰ্ততে বেগাই ঘোঁৰাটো চলাই তালৈ গ'ল।

তাত তেওঁ দেখা পালে এটা বিৰাট আকাৰৰ ৰাক্ষসক, আৰু ৰাক্ষসটোৰ হাতত এজনী ধুনীয়াৰো ধুনীয়া বন-কন্যা। ৰাক্ষসটোৱে নিশ্চয় এই বন-কন্যাজনীক গিলি খাব—এই বুলি ভাবি তেওঁ খাপৰপৰা তৰোৱাল উলিয়াই ক্ৰোধান্বিত ভাবে ৰাক্ষসটোক ক'লে, "হেৰ ৰাক্ষস! তোৰ যদি সাহস আছে, মোৰ লগত যুঁজ দে হি। অসহায়া ছোৱালী এজনীক ধৰি খোৱাত বাহাদুৰি কি? এই কাম—অতি গৰিহিত আৰু নীচ কাম!"

ৰাক্ষসটোৱে ঢেক ঢেককৈ হাঁহি মাৰিলে আৰু ক'লৈ, "তুমি কোননো এলেকৰ পেলেকটেষ্টা আহিলাহে—মোৰ লগত যুঁজিবলৈ? মোৰ আগত তুমিনো কোন কুটা?—কিন্তু যুঁজিবলৈ হ'লে তৰোৱালেৰে নহ'ব। মোৰ তো তৰোৱাল নাই। যুঁজিবৰ যদি সঁচাসঁচি মন—মাল

যুঁজেৰেহে যুঁজিব লাগিব। সেই দাঁত তোমাৰ হ'বনে, বাছা ?"

ৰজা চিত্ৰবৰ্ণই তেওঁৰ তৰোৱাল মাটিলৈ দলিয়াই পেলালে আৰু সেই ৰাক্ষসটোক বিজুলী গতিৰে গবা মাৰি ধৰি বোন্দা থেকেচা দিলে।

ৰাক্ষসটোও কম নহয়, সি ৰাক্ষসেও ৰজা চিত্ৰবৰ্ণক পিঠিত ধমাধম ঔ পাৰি পাৰি তেওঁক কাহিল কৰি পেলালে।

কিন্তু ৰাক্ষসটোৱে যে মালযুঁজৰ কিটপ একেবাৰে নাজানে, ৰজা চিত্ৰবৰ্ণই সেই কথা ঠাৰৰ কৰিব পাৰি, যুঁজি যুঁজি এসময়ত সেই পৰ্বতাকৃতি ৰাক্ষসটোক মাৰলি-গণা কৰি পেলালে।

ৰাক্ষসটোৱে ৰজাৰ আগত তাৰ পৰাজয় মানি লোৱাত ৰজা চিত্ৰবৰ্ণই তাক এৰি দিলে আৰু সি তাৰপৰা ফেঁটিৰ মূৰ ছিঙা লৰ দি পলাল।

তেতিয়া বন-কন্যাই চিত্ৰবৰ্ণক প্ৰণাম কৰিলে আৰু ক'লে, "মোৰ নাম বনিকা। মই এই বনৰ অধিৰক্ষকৰ তথা চৰ্দাৰৰ ছোৱালী। চামেলী ফুল বুটলিবলৈ ইয়ালৈ আহি সেই ৰাক্ষসটোৰ কবলত পৰিছিলোঁ। আপুনি মোৰ প্ৰাণৰক্ষা কৰিলে। আপুনি যে সেই পৰ্বতহেন ৰাক্ষসটোক হেলাৰঙে পৰাজিত কৰিব মোৰ

কল্পনায়ো সেই কথা ঢুকি পোৱা নাছিল।"

ৰজা চিত্ৰবৰ্ণই বন-কন্যা বনিকালৈ ৰ' লাগি চাই ৰ'ল। সঁচাঃ ভাবিলে তেওঁঃ বন্যহঁত বনত কিমান যে সুন্দৰ! সৌন্দৰ্য্য বিমোহিত ৰজাই সংবিৎ ঘূৰাই পাই ক'লে, "বনিকা, এতিয়া আৰু তোমাৰ বিপদ নাই। যোৱা, বসতিলৈ যোৱা।"

এই বুলি কৈ, ৰজা চিত্ৰবৰ্ণই কালী-মন্দিৰলৈ বুলি গৈ থাকিল। কিন্তু বনিকাজনীও তেওঁৰ পিছে পিছে কালী-মন্দিৰলৈ গ'ল। তাই কিবা ক'বলৈ উচপিচাই থকা যেন পাই চিত্ৰবৰ্ণই বন-কন্যা বনিকাক ক'লে, "যদি কিবা

ক'বলগীয়া আছে; মোৰ আগত নিৰ্ভয়ে কোৱা। মই এই দেশৰ ৰজা চিত্ৰবৰ্ণ।"

শুনি সামান্য ক্ষণৰ বাবে বনিকাজনী মনে মনে থাকিল। তাৰ পাছত তাই চিত্ৰবৰ্ণদেৱক ক'লে, "আপুনি যে মহাৰাজ—মই একেবাৰে বুজি পোৱা নাছিলোঁ। কালী মাইক আপুনি কি কৈছিল—মই নাজানো। কিন্তু মই আপোনাকে পতিৰূপে পাবলৈ কালী-গোসাঁনীৰ ওচৰলৈ প্ৰাৰ্থনা জনাইছিলোঁ।"

ৰজা চিত্ৰবৰ্ণই উত্তৰ দিবলৈ ধৰোঁতেই এজন যুৱক তালৈ আহিল আৰু আহিয়েই বন-কন্যা বনিকাক ক'লে, "বনিকা, তুমি ইয়াত! আৰু মই গোটে'খন বন চলথ কৰি ফুৰিছোঁ।" যুৱকৰ কথাত উদ্বিগ্নতা ফুটি ওলাইছিল।

বনিকাই এই যুৱকক ঘটনাৰ কথা ভাঙি-পাতি ক'লে আৰু অন্তত ক'লে, "এখেত হ'ল আমাৰ মহাৰাজ চিত্ৰবৰ্ণ। এখেতেই ৰাক্ষসটোক পৰাজিত কৰি মোৰ প্ৰাণ ৰক্ষা কৰিলে।"

যুৱকে মহাৰাজ চিত্ৰবৰ্ণক ক'লে, "মহাৰাজ! আপুনি বনিকাক ৰক্ষা কৰি মোকো ৰক্ষা কৰিলে। কিয়নো—বনিকাক বিচাৰি নোপোৱাৰ অৰ্থ আছিল—মোৰ আত্মঘাত! বনিকাৰ অবিহনে মই জীয়াই থকাৰ কোনো প্ৰশ্ন নাই।"

মহাৰাজে মিচিকীয়াই হাঁহি ক'লে, "অ'—কথা তেন্তে—এই! হয়নে? কিন্তু বনিকাই যে কালী-মাতাৰ আগত মোকেই খতিৰূপে পাবলৈ প্ৰাৰ্থনা জনাইছিল!

যুৱকে সুধিলে, "বনিকা, সঁচানে?"

বনিকাই নিমাতে মূৰ দুপিয়ালে।

ৰজা চিত্ৰবৰ্ণই সেই যুৱকক ক'লে, "এই সমস্যাৰ সমাধান এটা আছে। মই ৰাক্ষসটোকহে হৰুৱালোঁ, তোমাক নহয়। যদি তুমি মোক মালযুঁজত হৰুৱাব পাৰা—তেতিয়া বনিকা তোমাৰ।"

সেই জংলী যুৱাই চিত্ৰবৰ্ণৰ প্ৰস্তাৱত

তৎক্ষণাৎ ৰাজী হ'ল।

ৰজাই বনিকাকো সুধিলে, "বনিকা, এই প্ৰস্তাৱত তুমি সন্মতনে?"

বনিকাই আকৌ মূৰ দুপিয়ালে।

পাছ মুহূৰ্ততে ৰজা চিত্ৰবৰ্ণ আৰু সেই জংলী যুৱাৰ মাজত মল্লযুদ্ধ আৰম্ভ হ'ল আৰু সেই জংলী যুৱক মংগলৰাজে ৰজা চিত্ৰবৰ্ণক সহজেই বগৰাই পেলাই বিজয়ী হ'ল।

সামান্য সময়ৰ ভিতৰতে ৰজা চিত্ৰবৰ্ণ পুনৰ উঠি থিয় হ'ল আৰু বনিকাক ক'লে, "বনিকা, মই হাৰিলোঁ। তুমি তোমাৰ ভালপোৱাজনক বিয়া কৰাই সুখেৰে আৰু শান্তিৰে জীৱনযাপন কৰাঁ।"

এই বুলি কৈয়েই জঁপ মাৰি ঘোঁৰাত উঠি চিত্ৰবৰ্ণ তাৰপৰা গুচি গ'ল।

এই ঘটনাৰ কিছুদিনৰ অন্তত মহাৰাজ চিত্ৰবৰ্ণই তেওঁৰ জন্মদিন উপলক্ষ্যে ৰাজধানীত মল্লযুদ্ধৰ প্ৰতিযোগিতা পাতিলে।

এই প্ৰতিযোগিতাত বনিকাৰ প্ৰেমিক সেই জংলী যুৱা মংগলৰাজে যোগ দিছিলহি। আৰু তাত মংগলৰাজেই শ্ৰেষ্ঠ বিজয়ীৰ সন্মানো পালে। কিন্তু— পুৰস্কাৰ প্ৰদানৰ আগে আগে সকলোকে অবাক কৰি হঠাৎ স্বয়ং মহাৰাজ চিত্ৰবৰ্ণই সেই জংলী যুৱা মংগলৰাজক মল্লযুদ্ধলৈ আহ্বান জনালে।

ৰজা চিত্ৰবৰ্ণৰ এনে অদ্ভুত আচৰণলৈ

চাই কেৱল তাত উপস্থিত থকা মানুহখিনিয়েই নহয়, বন-কন্যা বনিকাও অবাক হ'ল। বনিকাই জানে, এই মল্লযুদ্ধত তাইৰ প্ৰেমিক মংগলৰাজেই বিজয়ী হ'ব।

কিন্তু এই মল্লযুদ্ধ যেতিয়া আৰম্ভ হ'ল, তেতিয়াহে বনিকাই বুজি পালে যে ৰজা চিত্ৰবৰ্ণ মল্লযুদ্ধত কিমান কৌশলী আৰু শক্তিশালী। চাওঁতে চাওঁতে ৰজাৰ হাতত মংগলৰাজ বেয়াকৈ পৰ্য্যুদস্ত হৈ পৰিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! বন-কন্যা বনিকাৰ বিষয়ত ৰজা চিত্ৰবৰ্ণৰ আচৰণ তেওঁৰ চঞ্চলমতিত্ব আৰু সংকল্পহীনতাৰ দেখ দেখ প্ৰমাণ নহয়নে? তেওঁ বন-কন্যা বনিকাৰ সৌন্দৰ্য্যমুগ্ধ হৈছিল আৰু সেইহে বনিকাৰ প্ৰস্তাৱত তেওঁ তৎক্ষণাৎ দ্বিধাহীনভাৱে তেওঁৰ সন্মতিও প্ৰদান কৰিছিল। অৰ্থাৎ দৰাচলতে বন-কন্যা বনিকাক ৰজা চিত্ৰবৰ্ণই পত্নীৰূপে গ্ৰহণ কৰিছিল। কিন্তু হঠাৎ তাত বনিকাৰ প্ৰেমিক মংগলৰাজৰ আবিৰ্ভাৱ হোৱাত সকলো ওলট-পালট হৈ পৰিল, ৰজা চিত্ৰবৰ্ণয়ো তেওঁৰ মত সলনি কৰিলে, ৰজা চিত্ৰবৰ্ণ আছিল সাহসী ক্ষত্ৰিয় পুৰুষ, নহ'লে ৰাক্ষসটোক তেওঁ পৰাজিত কৰাটো আছিল সাধাৰণ সাহসী লোকৰ পক্ষে অসম্ভৱ কথা। কিন্তু সেই ৰজায়েই যে কিমান চঞ্চলমতিসম্পন্ন হ'ব পাৰে—তাৰ যোগ্য প্ৰমাণ হ'ল বন-কন্যা বনিকাৰ কাৰণে এজন অতি সাধাৰণ জংলী যুৱকৰ সৈতে মল্লযুদ্ধ। ততোধিক চঞ্চলমতিত্বৰ প্ৰমাণ আৰু অতি গৰিহিত কথা হ'ল, নিজে পতা মল্লযুদ্ধৰ প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ বিজয়ী মংগলৰাজৰ বিৰুদ্ধে নিজেই অৱতীৰ্ণ হৈ তাক তাৰ প্ৰকৃত প্ৰাপ্য পুৰস্কাৰৰপৰা বঞ্চিত কৰাটো। ৰজা চিত্ৰবৰ্ণৰ এই কাৰ্য্যক প্ৰতাৰণা বুলিয়েই ক'ব নোৱাৰিনে? মোৰ এই

প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে হে ৰাজন্, তোমাৰ মুৰ ফাটি চাৰিফালা হ'ব বুলি ধ্ৰুৱ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "বনত বন-কন্যা বনিকাৰ সৈতে ৰজা চিত্ৰবৰ্ণৰ সাক্ষাতৰ ঘটনা আৰু তৎপৰৱৰ্তী ঘটনাৱলী একেই নাছিল। এইবোৰ ঘটনাৰ দিনকাল-পৰিস্থিতি বেলেগ বেলেগ। ৰজা চিত্ৰবৰ্ণই বন-কন্যা বনিকাৰ সৌন্দৰ্য্যমুগ্ধ হোৱাৰ অৰ্থ এয়ে নহয় যে তেওঁ বনিকাক পত্নীৰূপে পাবলৈ মন কৰিছিল। কোনোবাই পুষ্পৰ সৌন্দৰ্য্যত বিমুগ্ধ হোৱাৰ অৰ্থ কেৱল বিমুগ্ধতাহে। আৰু— বনিকাক বিয়া কৰামেই বুলি ভবাহেঁতেন—সেই দুৰ্দান্ত ৰাক্ষসক হেলাৰঙে পৰাজিত কৰিবপৰা চিত্ৰবৰ্ণই সাধাৰণৰো সাধাৰণ মল্লযুদ্ধত একেবাৰে একো নজনা জংলী যুৱক মংগলৰাজক আনকি মাৰিও পেলাব পৰিলেহেঁতেন। কিন্তু তেওঁ ইচ্ছা কৰিয়েই মংগলৰাজক বিজয়ী হ'বলৈ দিছিল, যাতে সি তাৰ ভালপোৱাজনীক জীৱনলগৰী হিচাপে পায়—তাৰ বাবে। তাৰ কাৰণো বেলেগ। মংগলৰাজে দেশৰ অ'ত ত'ত কৈ ফুৰিছিল যে সি দেশৰ ৰজাক মল্লযুদ্ধত হৰুৱালে। এগৰাকী ৰজাৰ পক্ষে এই কথা অৱমাননাকৰ বুলিহে তেওঁ তেওঁৰ জন্মদিনৰ উৎসৱ উপলক্ষে মল্লযুদ্ধৰ অনুষ্ঠান পাতি মংগলৰাজক যথাযোগ্য শিক্ষা দিছিল। গতিকে— মহাৰাজ চিত্ৰবৰ্ণৰ কাৰ্য্যাৱলীক চঞ্চল-মতিত্ব বা সংকল্পহীনতা, বা প্ৰতাৰণা বুলি অভিহিত কৰিব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু শ'টো সেই তাহানিৰ আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডাল এটাত পুনৰ ওলোমাই থোৱা হ'ল। (কল্পিত

লাখটকীয়া কথা

বিস্তাপুৰৰ জমিদাৰ ৰামঠাকুৰ হ'ল জনা-বুজা মানুহ। এদিন তেওঁৰ বন্ধু ভূপাল ঠাকুৰৰ সৈতে দবা খেলি থাকোঁতে তালৈ এজন অচিনাকি মানুহ আহিল আৰু ক'লে, "মালিক. মই এজন মাউত। মোৰ এটা হাতী আছে। এতিয়া, আগৰ দৰে আৰু আয়-উপাৰ্জনো নোহোৱা হ'ল, হাতীটোক পুহিবলৈও টান হৈ উঠিল। গতিকে—আপোনালোকৰ মাজত কোনোবা এগৰাকীয়ে যদি হাতীটো কিনি লয়—হাতীটোৰো উপকাৰ, মোৰো।"

ৰামঠাকুৰে তেওঁৰ বন্ধুলৈ চালে: কি কৰিবা ?

ভূপালে ভুঁই -চাল লাৰি দিলে: হৈ যঁক। ক'লে, "কিবোলেনে—হাতী জীলেও লাখ টকা, মৰিলেও লাখ। পিছে—আমি ভুখীইতৰ বাবে কথা উপাক-পাক।—তেৰাৰ ইচ্ছাত তোমাৰ আছে, নল'লে পস্তাবা পাছে। হাতীৰ দাঁতৰ দামো লাখতকৈ বেছি।"

ৰামঠাকুৰে ভাতে হেঁচা ভূপালৰ কথাত গৰম হৈ হাতীটো কিনিয়েই পেলালে।

কিছুদিনৰ পাছৰ কথা। এদিন ভূপাল আহিল ৰামঠাকুৰৰ ঘৰলৈ। ঠিক সেই সময়ত মৰা হাতীটোক কেইজনমানে টানি টানি ঘৰৰ ঘাই দুৱাৰেদি উলিয়াই আনিব বাহিৰলৈ ধৰিছিল।

কথা কি—সোধাত, ৰামঠাকুৰে ভুঁইৰ ছো ভূপালক ক'লে, "হাৰে ভূপাল, মাইকী-হাতীৰ যে দঁত নাথাকে—সেই কথাটো মোক কোৱা নাছিলা কিয়হে ? পিছে—হয়, কথা তোমাৰ সাঁচেকাটে সঁচা। সেই যে কৈছিলা,—হাতী জীলেও লাখক, মৰিলেও লাখ—ইয়াক কিনি, লালি-পালি, আৰু মৰাৰ পাছত পুতি—সেই লাখেই লাগিল। কথা তোমাৰ—কি বোলেনে—সেই লাখটকীয়ায়েই।"



চান্দমামা ক্ৰোড়পত্ৰ-৬০

ভাৰতৰ পশু-পক্ষী ঃ

হিমালয়ৰ গৰু : চুঁৰৰী

চুঁৰৰী গৰুক 'হিমালয়ৰ গৰু' বুলি ক'ব পাৰি। ভাৰতত এইবিধ গৰু কেৱল হিমালয় অঞ্চলত পৰিলক্ষিত হয়—উত্তৰ-পশ্চিমৰ কাশ্মীৰৰপৰা উত্তৰ-পূবৰ চিকিমলৈকে।

চুঁৰৰীবোৰ দেখাত হুবহু সাধাৰণ গৰুৰ দৰে, কেৱল আকাৰতহে ডাঙৰ। এটা বয়স্ক চুঁৰৰী দীঘলে ১৭০—১৮৫ ছেন্টিমিটাৰলৈকে হয়। চুঁৰৰীবোৰ অতি শক্তিশালী। ইহঁতে অতি সহজেই পাহাৰ বগাব পাৰে। চুঁৰৰী গৰুবোৰ ৪,৩০০ মিটাৰৰপৰা ৬০০০ মিটাৰ (সমুদ্ৰ পৃষ্ঠৰপৰা) উচ্চতাতো বাস কৰে।

এসময়ত চুঁৰৰীবোৰ আছিল বনৰীয়া, এতিয়া ঘৰচীয়া হ'ল আৰু বোজা কঢ়িউৱা হ'ল। ইহঁতো ঘৰচীয়া গৰুবোৰৰ দৰে জাক বান্ধি থাকে আৰু ইহঁতে গাখীৰো দিয়ে।

ইহঁত ক'লা বৰণৰ হয় আৰু ইহঁতৰ গাত দীঘল দীঘল নোম থাকে। এই নোমেৰে সিহঁতে হিমালয়ৰ প্ৰচণ্ড জাৰ সহি থাকিব পৰা হয়। চুঁৰৰী আৰু সাধাৰণ গৰু সংমিশ্ৰণেৰে যিবিধ গৰু উপজাত হৈছে, সিবিধক মেথোন বুলি কোৱা হয়।

ভাৰতৰ আধুনিক চিত্ৰশিল্প

অবনীন্দ্ৰনাথ ঠাকুৰ

"এই কথাটো মই মন কৰিছোঁ যে তোমালোকে কোনোবা দৃশ্যপট আঁকাৰ বাবে কোনোবা উদ্যানলৈ বা নৈৰ পাৰলৈ যোৱা আৰু তাত দেখা পোৱা গছ-গছনি ফুল ফল আৰু পশুপক্ষীবোৰক—যি দৃষ্টিপথত পৰে—আঁকা। তোমালোকৰ এনে সাধাৰণ দৃষ্টিভংগীৰ কথা ভাবি মই আচৰিত হওঁ। সৌন্দৰ্য্য যে দৰাচলতে কোনো বাহ্যিক বস্তু নহয়, অন্তৰৰ গভীৰত যে তাৰ স্থান—কথাটো তোমালোকে উপলব্ধি নকৰানে ? কালিদাসৰ কবিতাক হৃদয়ত গ্ৰহণ কৰাঁ৷ তাৰ পাছত আকাশলৈ চোৱা। তেতিয়া মেঘদূত কাক বোলে তাক উপলব্ধি কৰিব পাৰিবা। বাল্মিকীকৃত সাগৰৰ বৰ্ণনাত নিজক নিমজ্জিত কৰাঁ, তাৰ পাছত সাগৰৰ সৌন্দৰ্য্যক অংকন কৰিবা।"

উক্ত কথাখিনি অবনীন্দ্ৰনাথে তেওঁৰ ছাত্ৰসকলক কৈছিল। তেওঁৰ ছাত্ৰসকলৰ প্ৰতি প্ৰদত্ত এই বক্তব্য আছিল তেওঁৰ নিজস্ব চিত্ৰশিল্পৰ দৰ্শন। এগৰাকী চিত্ৰ কলাবিদে নিজৰ ঐতিহ্যবাহী শিল্প-শিল্পসত্বাক কলাৰ জানি ল'ব লাগিব।

অবনীন্দ্ৰনাথ আছিল মহাকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভতিজাক। অবনীন্দ্ৰনাথ ১৮৭১ চনত জন্মগ্ৰহণ কৰিছিল তৎকালীন খ্যাতনামা ঠাকুৰ পৰিয়ালত, যি পৰিয়ালখনে সমগ্ৰ ভাৰতৰ তথা বিদেশৰো অসংখ্য উল্লেখযোগ্য ব্যক্তিত্বক আকৰ্ষণ কৰিছিল।

যুৱক অবনীন্দ্ৰনাথ পোনতে এগৰাকী ইংৰাজ চিত্ৰ কলাবিদৰ, আৰু পাছত আন এগৰাকী ইতালীয় চিত্ৰ কলাবিদৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈছিল। তেওঁ

ইঅ'ৰোপীয় আৰ্টৰ অনুকৰণ আৰম্ভ কৰিছিল। কিন্তু তেওঁ যেতিয়া চিত্ৰকলাৰ বিষয়ে সুপণ্ডিত সমালোচক ই.বি.হাভেলৰ সৈতে পৰিচিত হ'ল, তেতিয়াৰে পৰা ই তেওঁৰ মাজত এক বিপুল পৰিৱৰ্তনৰ সৃষ্টি হ'ল। সুপণ্ডিত ই. বি. হাভেল মহোদয়ে ইঅ'ৰোপীয়সকলৰ দৃষ্টিও বিস্ময়কৰ ঐতিহ্যবাহী ভাৰতীয় চিত্ৰশিল্পলৈ যেতিয়া আকৰ্ষিত কৰিলে, তেতিয়া অবনীন্দ্ৰনাথৰো দৃষ্টি উন্মুক্ত হ'ল আৰু তেওঁ ভাৰতীয় ঐতিহ্যবাহী চিত্ৰকলাৰ বাবে নিজক সম্পূৰ্ণ উৎসৰ্গ কৰিলে।

অবনীন্দ্ৰনাথে ইঅ'ৰোপীয় চিত্ৰাংকণ ৰীতিৰ সুবিধা লৈছিল, যদিও তেওঁৰ চিত্ৰকলাৰ বিষয়বস্তু আছিল সম্পূৰ্ণ ভাৰতীয়। তেওঁ 'ইণ্ডিয়ান ছোছাইটি অৱ অ'ৰিয়েন্টাল আৰ্ট' নাম এটি প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ অসংখ্য ছাত্ৰই তেওঁৰদ্বাৰা অনুপ্ৰাণিত হৈছিল। তেওঁৰ প্ৰথিতযশা ছাত্ৰসকলৰ মাজত অন্যতম উল্লেখযোগ্য নাম—নন্দলাল বসু।

১৯৫১ চনত এইগৰাকী মহান চিত্ৰশিল্পী অবনীন্দ্ৰনাথ লোকান্তৰিত হৈছিল।

জানো নে ?

১. ভাৰতৰ ৰাজ্যসমূহ কোন চনত পুনৰ্গঠিত হৈছিল ?
২. বিগত ১০ বছৰলৈ কোনখন দেশ পাৰমানবিক-মুক্ত অঞ্চল হিচাপে আছে ?
৩. কোনগৰাকী ৰাজাৰ আমোলত পঞ্চতন্ত্ৰৰ কাহিনীসমূহ সংকলিত হৈছিল ?
৪. ভাৰতীয় ৰেলওৱেৰ ইন্টিগ্ৰেগ্যাল কোচ্চ ফ্যাক্টৰি ক'ত অৱস্থিত ?
৫. যানবাহনৰ মাজত কোন বাহন পৰিবেশ-দূষণৰপৰা মুক্ত ?
৬. কোনখন ভাৰতীয় ৰাজ্য কয়লাৰ ভঁৰাল ?
৭. 'ব্লু চিপ্' কাক বোলে ?
৮. স্বৰ্গস্থিত ইন্দ্ৰৰ ৰাজধানীৰ নাম কি ?
৯. আয়াতোল্লা খোমেইনিয়ে ইৰানদেশত কেতিয়া ক্ষমতা হস্তগত কৰিছিল ?
১০. কিছুমান ভাৰতীয় বাতৰি-কাকতে ইতিমধ্যেই 'এশ বছৰ' অতিক্ৰম কৰিলে। সংখ্যা কিমান ?
১১. 'কুইট ইণ্ডিয়া' বা ভাৰত ত্যাগ'ৰ ধ্বনি কেতিয়া উত্থাপিত হৈছিল ?
১২. কোনগৰাকী মুছলমান ৰজাই দেৱনাগৰী আখৰ ব্যৱহাৰ কৰিছিল ?
১৩. ইঅ'ৰোপৰ দীৰ্ঘতম নৈখন কোনখন ?
১৪. ভাৰতৰ 'সেউজ-বিপ্লৱ'ৰ ক্ষেত্ৰত কোন শস্যক উল্লেখ কৰা হৈছে ?
১৫. বৃহত্তম গ্ৰহটোৰ নাম কি ?

উত্তৰ

১. ১৯৫৬ চনত।
২. নিউজিল্যাণ্ড।
৩. চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ ৰাজত্বকালত।
৪. মাদ্ৰাজৰ পেৰাম্বুৰ নামৰ ঠাইত।
৫. ছাইকেল (গৰুৰ গাড়ীৰ গৰুবিলাকে নিমখে গ্যাছ মুখেৰে উলিয়ায়)।
৬. বিহাৰ।
৭. ধাৰাবাহিক ভাৱে উন্নতিৰ পথলৈ যোৱা প্ৰতিষ্ঠিত কম্প্যানিৰ 'শ্বেয়াৰ'।
৮. অমৰাৱতী।
৯. ১৯৭৯ চনত।
১০. ৩৬ খন বাতৰি-কাকত।
১১. ১৯৪২ চনৰ ৮ অগাস্ট।
১২. শ্বেৰশ্বাহ।
১৩. ভোল্‌গা।
১৪. ঘেঁহু।
১৫. জুপিটাৰ—অৰ্থাৎ বৃহস্পতি গ্ৰহ। এই গ্ৰহ পৃথিৱীতকৈ এঘাৰ গুণে ডাঙৰ আকাৰৰ।



দক্ষতাৰ পৰীক্ষা

জমিদাৰ শ্ৰীকণ্ঠ ডাঙৰীয়াক যথাযোগ্য কৰ্মচাৰী এজন লাগে, যিজনে জমিদাৰীৰ কৃষি-বিষয়ক কাম বনৰ চোৰাচিতাৰ উপৰিও ধন-ভঁৰাল-বিষয়ক আৱশ্যকীয় পৰ্য্যৱেক্ষণো কৰিব পাৰিব। সৌ সিদিনালৈকে এই উভয়বিধ কাম নাৰায়ণেই চম্ভালিছিল; কিন্তু অকস্মাৎ নাৰায়ণৰ মৃত্যু হোৱাত শ্ৰীকণ্ঠ ডাঙৰীয়া বিমোৰত।

কথাটো তেওঁ তেওঁৰ দেৱানৰ লগতো আলোচনা কৰিলে। দেৱানে কিছু সময় ধৰি ভাবি থকাৰ পাছত ক'লে, "মোৰ বোধেৰে—এই কামটো নাৰায়ণৰ ল'ৰা শশাংকয়েই কৰিব পাৰিব সিয়েই। হ'ব এই কামৰ বাবে যোগ্য মানুহ।"

পাছদিনাই শশাংক জমিদাৰ শ্ৰীকণ্ঠ ডাঙৰীয়াৰ ওচৰলৈ গ'ল। শশাংকই তাৰ পিতাকৰ পদত তাক নিযুক্ত কৰিবলৈ জমিদাৰ ডাঙৰীয়াক খাটিলে। কিন্তু তাৰ কাৰ্য্যদক্ষতাৰ উমান-প্ৰমাণ নোলোৱাকৈ শ্ৰীকণ্ঠ ডাঙৰীয়াই যে তাক কামত মকৰল নকৰিব—সেই কথা দেৱানে জানে। যি হওক, জমিদাৰ শ্ৰীকণ্ঠই শশাংকক দুটা দিনৰ পাছত ওচৰলৈ আহিবলৈ ক'লে।

আহিল শশাংক দুদিনৰ পাছত। জমিদাৰ ডাঙৰীয়াই শশাংকক ক'লে, "তোমাৰ চাকৰিৰ কথা পাছত হ'ব। তুমি বোপা—মোৰ কাম এটি কৰি দিয়া যদি, বৰ উপকাৰ হ'ব মোৰ। কথা হ'ল যে—মোৰ ছোৱালীজনীৰ কাৰণে মই চহৰৰ শ্ৰীনাথ সোণাৰিৰ দোকানৰপৰা তাইৰ কাৰণে কেপদমান গহনা আনিলোঁ, তাৰে দুপদমানত কিঞ্চিত বেলেগভাৱে কিবাকিঞ্চি কৰাই আনি দিব লাগিব।

ৰামকৃষ্ণ খাউন্দ

সেইবোৰ পিন্ধি আজি গধূলিতেই তাই তাইৰ গিৰিয়েকৰ সৈতে যাবগৈ।"

কোন গহনাত কি পৰিৱৰ্তন কৰিব লাগিব—শশাংকই জমিদাৰ ডাঙৰীয়াৰ ছোৱালীজনীৰপৰা জানি ল'লে আৰু তাৰ পাছত সি চহৰলৈ গৈ শ্ৰীনাথ সোণাৰিক গহনাখিনি দেখুৱাই ক'ত কি কৰিব লাগিব বুজাই ক'লে।

সোণাৰি শ্ৰীনাথে শশাংকৰ কথাখিনি ধৈৰ্য্যেৰে শুনি তাক এই গহনাখিনিৰ কাকত-পত্ৰ দেখুৱাবলৈ ক'লে। কিয়নো, এই গহনাখিনি কোন গৰাকী জমিদাৰে কিনিছিল, শ্ৰীনাথ সোণাৰিয়ে হেনো একোপধ্যে মনত পেলাব পৰা নাই।

কিন্তু শশাংকই কোনো ধৰণৰ কাগজ-পত্ৰ লৈ অহা নাছিল, বা জমিদাৰ ডাঙৰীয়ায়ো তাক দিয়া নাছিল।

দোকানী শ্ৰীনাথৰ এক কথা, ৰচিদ নোহোৱাকৈ এই কাম কৰিব নোৱাৰিব। কিয়নো—এই গহনা যে তেওঁলোকৰ দোকানৰ গহনা, তাৰ প্ৰমাণ কি?

শশাংকই শ্ৰীনাথ সোণাৰিক পুনৰ তাৰ অসুবিধাৰ কথা বুজাই ক'লে আৰু শ্ৰীনাথেও ধৈৰ্য্যেৰে শুনিলে। কিন্তু শ্ৰীনাথ হ'ল শ্ৰাদ্ধত মেকুৰী বন্ধা মানুহ। নিয়মৰ লৰচৰ নহ'ব তেওঁৰ দোকানত। কামখিনি তেওঁ তৎক্ষণাৎ কৰি দিবলৈ সাজু, কিন্তু ৰচিদ নেদেখুৱালে নহৈছে।

তেতিয়া শশাংকই শ্ৰীনাথক ক'লে, "ঠিক আছে, মই গহনাখিনি বিক্ৰি কৰোঁ। যদি—ল'বনে আপোনালোকে?"

"কি কৈছেনো? কিয় নল'ম? বেচা, আৰু কিনাটোও আমাৰ ব্যৱসায়।" শ্ৰীনাথে শশাংকক ক'লে।

শ্ৰীনাথে শশাংকৰ গহনাখিনি ঠিক-মতে ওজন আৰু হিচাপ কৰিলে আৰু তৎক্ষণাৎ টকা-পইচাখিনিও দিলে তাক।

গহনা বেচা টকাখিনি লৈ শশাংক গুচি গ'ল, আৰু অলপ পাছত পুনৰ শ্ৰীনাথক

ক'লেহি, "মহাশয়, মই—গহনাখিনি বেচি ভুলহে কৰিলোঁ। এতিয়া যদি সেই গহনাখিনি আকৌ মই কিনিবলৈ বিচাৰোঁ—দি ব নে মো ক? পিছে—তুপদমান গহনাত কিঞ্চিত পৰিৱৰ্তন কৰি দিব লাগিব।"

শশাংকৰ কথাত শ্ৰীনাথে ভালেই পালে। শ্ৰীনাথে শ শা ং ক ক ক'লে, "চাওক, গহনা-ঘটিত যেই কোনো কাম, আৰু কিনা আৰু বেচাটোও আমাৰ ব্যৱসায়িক কৰ্তব্য। গহনাৰ ইটো-সিটো পৰিবৰ্তন-পৰিবৰ্ধনো আমাৰ কৰণীয় কামৰে অংগ। আপুনি নিশ্চিন্ত হৈ থাকক, কামখিনি এতিয়াই হৈ যাব।"

শ্ৰীনাথ সোণাৰিয়ে তেওঁৰ কৰ্মচাৰী এজনক মাতিলে আৰু শশাংকই বিচৰা কামখিনি কৰ্মচাৰীজনক বুজাই ক'লে। শশাংকই বিচৰা কামখিনি তৎক্ষণাৎ হৈ গ'ল, আৰু শ্ৰীনাথ সোণাৰিয়ে গহনাখিনি শশাংকৰ হাতত গটাই দি শশাংকক ক'লে, "আপুনি যি দামত গহনাখিনি আমাক বেচিছিল, এতিয়া কিনি ল'বলৈ এশ টকা বেছি আমাক দিব লাগিব।"

গহনাখিনিৰ ইটো-সিটো পৰিৱৰ্তন কৰাৰ বাবে জমিদাৰ শ্ৰীকণ্ঠ ডাঙৰীয়াই শশাংকক এশ টকা দিছিল। এতিয়া, সেই এশ টকাৰেই গোটেইখিনি কিনা-বেচা পুনৰ বন-কৰা মিনাৰ বহণ লগোৱা আদি হৈ যোৱাত শশাংকৰ কোনো অসুবিধায়েই নহ'ল। সি এশ টকা দিলে আৰু তাক কৈ পঠোৱা মতে সকলোখিনি কাম কৰাই উভতি খোজ ল'লে।

শশাংকই কেৱল এই কথা নাজানিলে যে—শ্ৰীনাথ সোণাৰিয়ে জমিদাৰ শ্ৰীকণ্ঠৰ অনুৰোধ মতেই শশাংকৰ পৰীক্ষা লৈছিল।

শশাংক যে কৰ্মদক্ষ—সেই কথাত নিঃসন্দেহ হৈ শ্ৰীকণ্ঠ ডাঙৰীয়াই তাক কামত নিযুক্ত কৰিছিল।



শিল্পী কাকে বোল

বহু বহু কালৰ আগৰ কথা। বিন্ধ্যপৰ্বতৰ পাদদেশত শিলানন্দ নামৰ এগৰাকী শিল্পাচাৰ্য্য বসবাস কৰিছিল। তেওঁৰ কৃত ভাস্কৰ্য্য-শিল্প ইমানেই উচ্চমানৰ আছিল, সেইবোৰ শিল্প-কৰ্মক দেখাত হুবহু জীৱন্ত যেন লাগিছিল।

ডিম্বক আৰু কুম্ভক আছিল শিল্পাচাৰ্য্য শিলানন্দৰ দুজন প্ৰধান শিষ্য। এই দুজনে দহ বছৰ ধৰি শিলানন্দৰ ওচৰত শিল আদিৰে মূৰ্তি সজাৰ বিদ্যা — অৰ্থাৎ ভাস্কৰ্য্য-বিদ্যা শিক্ষা কৰিছিল।

ডিম্বক আৰু কুম্ভকৰ শিল্প-শিক্ষা সমাপ্ত হোৱাৰ অন্তত শিল্পাচাৰ্য্য শিলানন্দই সিহঁত দুজনক ক'লে “পুত্ৰহঁত, তোমালোকক শিষ্য হিচাপে পাই মই প্ৰকৃততেই গৌৰৱান্বিত। মই যেনেকৈ তোমালোকক শিকাইছিলোঁ, তোমালোকেও তোমালোকৰ শিষ্যহঁতক তেনেকৈ শিকাবা। কোনো প্ৰতিদানৰ আশা নকৰাকৈয়েই শিক্ষাদান কৰিবা।”

ডিম্বাক তাৰ নিজৰ গাঁৱলৈ গ'ল। গাঁৱত তাৰ পাঁচ হালিচামান মাটি আছিল, তাৰে ডিম্বকে ভালকৈ খাই-বৈ থকাত কোনো অসুবিধা নাই। নাট্যানুৰাগী মীনাক্ষীক ডিম্বকে বিয়া কৰাইছিল সেইহে, তাৰ শিল্প-কৰ্মত মীনাক্ষীয়েও বাৰুখিনি অৰিহনা যোগাব বুলি ডিম্বকে আশা কৰিছিল।

ডিম্বক আছিল যথেষ্ট পৰিশ্ৰমী। সি সদা-সৰ্বক্ষণেই শিল্প-কৰ্মত ব্যস্ত হৈ থাকে। চাওঁতে চাওঁতে শিল্পী হিচাপে তাৰ খ্যাতি সকলোতে বিয়পি পৰিল আৰু তাৰ ওচৰত

নবীন ওজা

শিক্ষাৰ্থীৰ সংখ্যা ইমান অধিক হ'ল যে সি কাক এৰিব কাক বেঢ়িব অৱস্থাত পৰিল। আৰু পদাপাল দেখা দি দেখি থাকিল

কেই বছৰমান এইদৰে গ'ল। এদিন দেশৰ ৰজাই দেশব্যাপী ঘোষণা কৰিলে: দেৱ-নৰ্তকী মেনকাৰ মূৰ্তি লাগে। মেনকাৰ সৰ্বশ্ৰেষ্ঠ মূৰ্তি সাজোঁতাজনক বহুমূল্য পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ'ব। আৰু সেই মূৰ্তি দেৱ-মন্দিৰত স্থাপনা কৰা হ'ব। আৰু—দেৱ-মন্দিৰৰ নিৰ্মাণকাৰ্য্যাতো ভালেমান শিল্পীৰ আৱশ্যক হ'ব।

ডিম্বকে তাৰ ছাত্ৰ তথা শিষ্যইঁতক ৰজাৰ ওচৰলৈ পঠালে আৰু নিজে দেৱ-নৰ্তকী মেনকাৰ ভাস্কৰ্য্য মূৰ্তি সাজি উলিয়াবলৈ দিনে-নিশাই শিল্প কাৰ্য্য কৰিবলৈ ধৰিলে।

কিন্তু ডিম্বকৰ ছাত্ৰ তথা শিষ্যইঁত ৰাজধানীৰপৰা পাছদিনাই ঘূৰি আহিল। মহাৰাজে দেৱ-মন্দিৰৰ নিৰ্মাণকাৰ্য্যাত যিসকল শিল্পী লৈছে, পৰীক্ষা-নিৰীক্ষা কৰিহে লৈছে। মহাৰাজৰ সেই পৰীক্ষাত সিহঁতৰ উত্তীৰ্ণ হ'ব পৰা নাই।

হতাশ হৈ উভতি অহা শিষ্যইঁতক ডিম্বকে ক'লে, "চিন্তা নকৰিব। তোমালোকক মোৰ নিচিনা অৰ্হতাসম্পন্ন কৰি গঢ়ি তুলিম।"

প্ৰায় এবছৰৰ খাৱন-শোৱন-পাহৰা পৰিশ্ৰমৰ অন্তত ডিম্বকে দেৱ-নৰ্তকী মেনকাৰ ভাস্কৰ্য্য-মূৰ্তি সাজি উলিয়ালৈ আৰু তাৰ পাছত এদিন সেই মূৰ্তি ভালকৈ ঢাকি-ঢুকি বান্ধি লৈ গৰুৰ গাড়ীত উঠাই ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে।

গৰুৰ গাড়ীৰে দুদিন ধৰি গৈ থকাৰ অন্তত ডিম্বকে কুম্ভক থকা গাঁও পালেগৈ। কিন্তু বৰ আচৰিতেই লাগিল ডিম্বক কিয়নো, কুম্ভকৰ গাঁৱতে কুম্ভকক চিনি পোৱা মানুহ নাই! এয়ানো কি কথা!

শেহান্তৰত ওলাল এজন মানুহ, কুম্ভকৰ



ধাতৰি কথমপি দিব পৰা। মানুহজনে কলে, "অ'—সেই মূৰ্তি বনায় যে—? তাৰ কথাকে সুধিছেনে? সি বৰ ডেমাকী। যদি কিবা মূৰ্তি গঢ়াবলৈ আহিছে—তাৰ ওচৰলৈ নোযোৱাই ভাল, কিয়নো তাৰ ওচৰলৈ যিহঁত যায়, সিহঁতৰ লেংটি বেচা যায়। তাৰ ধনৰ লোভ ইমানেই বেছি।"

দেখাত অতি সাধাৰণ ঘৰ এটাত কুম্ভক থাকে। শকত পৰিমাণৰ ধন লৈছে সি যে তাৰ শিল্পকৰ্ম বেচে—সেই কথা সি নিজেই ডিম্বকক ক'লে। আনকি, তাৰ ছাত্ৰ তথা শিষ্যহঁতৰপৰাও সি জোখে-জোখাৰে ধন মাননী হিচাপে লৈছে শিকায়। সেইহে, তাৰ শিষ্যৰ সংখ্যাও অঙুলিৰ মূৰত গণিব পৰা, যদিও দেৱ-মন্দিৰৰ নিৰ্মাণকাৰ্যাত কুম্ভকৰ শিষ্যহঁতৰ প্ৰায়বোৰেই কাম পোৱা হৈছে, ৰজাই অতি আগ্ৰহৰে সিহঁতক লৈছে।

ডিম্বকে কুম্ভক কলে, "আমাক বিদায় দিয়াৰ সময়ত গুৰুদেৱে আমাক কি কৈছিল—তুমি পাহৰিলাইনে? শিষ্য-হঁতৰপৰা ধন বা কোনো প্ৰতিদান নল'বলৈ নকৈছিলনে তেওঁ?"

মোৰো মনত আছে তেওঁৰ কথা আৰু—কেৱল ধনলৈ আশা কৰাহেঁতেন—মোৰ অৱস্থাও যথেষ্ট টনকিয়ালেই হ'লহেঁতেন। মোৰ ওচৰত লক্ষমুদ্ৰা নথকা নহয়, আৰু, কিন্তু মই অতি সাধাৰণ জীৱন যাপিছোঁ যে—তাৰো প্ৰমাণ আছে। আমাৰ ঘৰত কিন্তু কোনো কাম-কৰা মানুহ বা চাকৰ-নাকৰ নাই, ঘৰৰ চব কাম আমি নিজেই কৰোঁ।"

কুম্ভক যে এটা চিকটাৰো চিকটা—ডিম্বকৰ জনাত আৰু বাকী নাই। কুম্ভকে কাকো এটা ফুটাকড়ি দিয়াত নাই যদিও—ডিম্বকক কুম্ভকে যথেষ্ট আদৰ-সাদৰ কৰিলে।

ডিম্বক কুম্ভকৰ ঘৰত এটা দিন থাকিল ক'বলৈ—গ'লে স্বৰ্গসুখতে থাকিল।

পাছদিনা, কুম্ভকেও তাৰ মেনকা-মূর্তি আন এখন গৰুৰ গাড়ীত উঠাই ল'লে আৰু তাৰ পাছত দুয়ো ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে। কিন্তু—ডিম্বকে সজা মূর্তি কুম্ভকে, বা কুম্ভকে সজা মূর্তিও ডিম্বকে নেদেখিলে যে কোনো কেনেকুৱা কি মূর্তি সাজিলে—দুয়োজনেই নিজৰ নিজৰ ভাস্কৰ্য্য মূর্তি মহাৰাজক দিলে। মহাৰাজে সিহঁত দুয়োকো অতিথিশলাত থকাৰ বন্দবস্ত কৰিলে আৰু পাছদিনা তেওঁৰ সৈতে পুনৰ সাক্ষাৎ কৰিবলৈ ক'লে।

পাছদিনা, ডিম্বক আৰু কুম্ভক তেওঁৰ কাষ চপামাত্ৰেই মহাৰাজে কৈ উঠিল, "তোমালোকৰ শিল্পসৃষ্টি—অদ্ভুত। কেনেকৈনো দুয়োজনে হুবহু একেই মূর্তি —দেখাত একেবাৰে হুবহু এক কৰি সাজিলা! মই দুজনৰ কাক যে শ্ৰেষ্ঠ শিল্পীৰ পুৰস্কাৰ দিম—ভাবি পোৱা নাই। আনকি—কোন মূর্তি যে কোনে সাজিলে তাকো সঠিক ক'বলৈ মই অপাৰগ।"

ঠিক তেতিয়াই শিল্পচাৰ্য্য শিলানন্দ তালৈ আহিল। তেওঁ নিজৰ শিষ্যদ্বয়ৰ শিল্প-কৰ্ম চাবলৈ ৰাজধানীলৈ আহিছিল।

মহাৰাজৰ কথাৰ উত্তৰত শিল্পাচাৰ্য্য শিলানন্দই ক'লে, "শ্ৰেষ্ঠ শিল্পীৰ সন্মান—কুম্ভকেই পাব লাগে, মহাৰাজ! ডিম্বক দ্বিতীয়। দুয়োজনেই মোৰ শিষ্য, সেই-হেতুকে—মোৰ মতামত কোনেও দলিয়াই নেপেলায়।"

"আপোনাৰ এই মতামতৰ হেতু?"

মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰত শিল্পা-চাৰ্য্যই ক'লে, "মহাৰাজ, ডিম্বক আছিল খ্যাতিলোভী; সেইহে — আত্মখ্যাতিলৈ তাৰ দৃষ্টি থকাত প্ৰকৃত শিল্পদৃষ্টি তাৰ নহ'ল। কিন্তু কুম্ভকে খ্যাতিলৈ দৃকপাত নকৰি কেৱল শিল্পৰ কাৰণে শিল্পসৃষ্টি কৰাত নিমগ্ন থকাত—সিয়েই হ'লগৈ প্ৰকৃত শিল্পী।"

সম্বাদ-বিচিত্ৰা

ৰাজকীয় গতি

বাছখন যদি গুচি যায়—কি কৰিবা ? তেতিয়া—যদি খৰখেদা থাকে আটো বা ট্যাকছি এখন ল'বা। নহলে ? কিন্তু যদি ৰেলগাড়ীখন গুচি যায় ? তেতিয়া ? উত্তৰ সহজেই। উৰাজাহাজেৰে উৰিম, আৰু নো কি কৰিম ? কিন্তু, ধৰা—যদি উৰাজাহাজখন কিবা কাৰণত তুমি 'মিছ্' কৰা ? তেতিয়া ? তেতিয়া তুমি আন এখন উৰাজাহাজকে ভাড়ালৈ ল'বানে বাৰু ? ই-ও হ'ব পাৰেনে ? পাৰে। হ'ব পাৰে। হৈছিল। পাৰিত, অৰ্থাৎ পেৰিছত। এগৰাকী ছউদি আৰবীয় ৰাজকোঁৱৰে ট্ৰাফিক জামত পৰি ফ্লাইট মিছ্ কৰি পেলোৱাৰ পৰা নিউয়ৰ্কলৈ ২৩৬,০০০ ডলাৰেৰে ছুপাৰছোনিক প্লেন এখন ভাড়ালৈ লৈছিল আৰু গৈছিল। দেখি ৰাজকোঁৱৰৰ নদ'হল বুলিহে তেওঁ নিজেই নিজৰ কাৰণে এখন উৰাজাহাজ ভাড়ালৈ লৈ উৰিল !

কিন্তু এজন বৃটিছ সৈন্যৰ এনেহেন খৰখেদা নাছিল, যদিও তেওঁও তেওঁৰ চচমা এযোৰৰ কাৰণে ৩০,৩০০ কিলোমিটাৰলৈ উৰি গৈছিল। তেওঁ তেতিয়া ফাক্ল্যাণ্ডত ডিউটি কৰি আছিল। তেওঁ তেওঁৰ চচমাযোৰ ফুটবল খেলোঁতে ভাঙি পেলাইছিল। ইফালে—সেই বিশেষ ধৰণৰ চচমাৰ কাঁচ তাত তো পাবলৈ নাই ! এওঁৰ ডিউটিও বৰ বেলেগ ধৰণৰ। সদা-সৰ্বক্ষণ কম্পিউটাৰৰ স্ক্ৰিনৰ সন্মুখত। জটিল কাম। সেই কাঁচৰ চচমা নহ'লেই নচলে তেওঁৰ। গতিকে—ROYAL AIR FORCE-ৰ এখন ট্ৰান্সপ'ৰ্ট প্লেনত উঠি ৩০,০০০ কি. মি. উৰি ঘৰলৈ-পৰা সেই চচমাযোৰ লৈ আহিবলগা হ'ল তেওঁ !

SOS

••• — — — •••

RIP

•—• •• •——•

মৃত্যু-বিন্দু ! মৃত্যু-মাত্ৰা !

সাগৰৰ জাহাজবোৰে ইমান দিন ধৰি 'মৰ্স কোড' ব্যৱহাৰ কৰিছিল তেওঁলোকৰ নিৰাপত্তাৰ বাবে। এই মৰ্স কোড আছিল কিছুমান বিন্দু আৰু মাত্ৰাৰ সমাহাৰ। মাটিৰ লগত অৰ্থাৎ সাগৰৰ বুকুৰ পৰা সাগৰৰ তীৰলৈ এয়ে আছিল তেওঁলোকৰ যোগাযোগৰ সাংকেতিক মাধ্যম, বিশেষকৈ জাহাজ যেতিয়া বিপদত। তিনিটা বিন্দু, তিনটা মাত্ৰা (dest) আৰু আকৌ তিনিটা বিন্দুৰ অৰ্থ হ'ল—SOS (Save Our Soul)। এতিয়া, জাহাজৰ ক্যাপটিনসকলে টেলিফোন ব্যৱহাৰ কৰা হৈছে, আনকি জাহাজ বিপদত পৰা দৃশ্য কমপিউটাৰৰ পৰ্দাতো প্ৰদৰ্শন কৰিব পৰা হৈছে। যি 'মৰ্স' কোড ২০ শতিকা জুৰি প্ৰচণ্ড প্ৰয়োজনীয় আছিল, এতিয়া পৰিত্যক্ত। এতিয়া অনাতাঁৰ-বাতৰি, অনাতাঁৰ ফোন, কমপিউটাৰ আদিৰ কিমান যে বন্দবস্ত !

৪১

এদিন ৰামচন্দ্ৰ যেতিয়া সিংহাসন আলোকিত কৰি পাৰিষদ-সভাসদ পৰিবৃত হৈ বহি আছিল, তেতিয়া হঠাৎ মহৰ্ষি বিশ্বামিত্ৰ ৰাজসভালৈ আহিল আৰু তেওঁ ৰামচন্দ্ৰক ক'লে, "ৰাম, কাশীৰাজ যযাতিয়ে অহংকাৰত অন্ধ হৈ মোক অপমান কৰিলে। তুমি এতিয়াই স্বয়ং গৈ সেই অহংকাৰী যযাতিক বধ কৰিবা, তোমাৰ গুৰু হিচাপে এয়ে মোৰ আজ্ঞা।" এই বুলি কৈয়েই ক্ষুব্ধ বিশ্বামিত্ৰ ৰাজসভাৰপৰা গুচি গ'ল।

গুৰু মহৰ্ষি বিশ্বামিত্ৰৰ আজ্ঞা শুনি ৰামচন্দ্ৰ হতভম্ব হৈ পৰিল। কাশীৰাজ যযাতি আছিল ৰামচন্দ্ৰৰ ভক্ত সেৱক। যযাতিৰ পৰিবাৰ-পৰিজনো ৰামচন্দ্ৰৰ ভক্ত। যযাতি ৰজা হিচাপেও ধাৰ্মিক। তেনেস্থলত যযাতিক বধ কৰিব কেনেকৈ?

কিন্তু গুৰু আজ্ঞা লংঘনো!

শ্ৰীৰামচন্দ্ৰ দোমন-দোহস্ত হৈ পৰিল।

কিন্তু ক্ষণকালৰ পাছত সংবিৎ ঘূৰাই পাই ৰামচন্দ্ৰই তেওঁৰ মহামন্ত্ৰী সুমন্তক মতাই অনাই ক'লে, "সুমন্ত, মই অনিবাৰ্য্য কাৰণত যযাতিক বধ কৰিবলৈ ওলাম! আমি দুয়ো দ্বন্দ্ব যুদ্ধত লিপ্ত হ'ম। এই যুদ্ধত আন কোনোৱেই অংশগ্ৰহণ নকৰিব। এই সংবাদ এতিয়াই ৰজা যযাতিলৈ প্ৰেৰিত হওক।"

বিশ্বামিত্ৰ ৰজা যযাতিৰ প্ৰতি ইমান ক্ৰুদ্ধ হোৱাৰ কাৰণ আছিল নিম্নৰূপ:

এদিন ভালেমান প্ৰজাই ৰজা যযাতিক এই সংবাদ দিলেহি যে জাক জাক হস্তীয়ে সিহঁতৰ শস্যক্ষেত্ৰ তহিলং কৰাৰ উপৰিও সিহঁতৰ মাজত কিছুমান মানুহকো মাৰিও পেলাইছে।

এই কথা শুনামাত্ৰেই প্ৰজাবৎসল ৰজা যযাতি হস্তীযূথ বধিবলৈ ৰথত আৰোহণ কৰি ওলাল। তেতিয়া, সেই বাটেদিয়েই মহৰ্ষি বিশ্বামিত্ৰ ক'ৰবালৈ গৈ আছিল। কিন্তু ৰজা যযাতিয়ে মহৰ্ষিলৈ লক্ষ্য কৰা নাছিল, তেওঁ সুতীব্ৰ গতিৰে ৰথ চলাই গুচি গৈছিল। এই কথাত মহৰ্ষি বিশ্বামিত্ৰই অপমানিত বোধ কৰি অতি-পাত ক্ৰুদ্ধ হৈ উঠিল। কিয়নো—বাটত তেওঁক দেখা পাই যযাতিয়ে ৰথ ৰখাই ৰথৰপৰা নামি আহি তেওঁক সাষ্টাংগে প্ৰণাম কৰিব লাগিছিল—এয়ে আছিল বিশ্বামিত্ৰৰ বক্তব্য।

ৰামচন্দ্ৰৰ দূতৰপৰা সমিচাৰ শুনি ৰজা যযাতি কঁপি উঠিল। যযাতিয়ে তেওঁৰ পত্নী যশোধৰাক কথাটো ক'লে। কথাটো যযাতিয়ে তেওঁৰ পুত্ৰ চন্দ্ৰাঙ্গ আৰু কন্যা চন্দ্ৰমুখীকো ক'ল। শুনি—তেওঁলোক শোকস্তব্ধ হৈ পৰিল।

কিছুপৰলৈ মৌন হৈ থকাৰ অন্তত যযাতিয়ে তেওঁৰ পত্নীক ক'লে, "মই নিৰ্দোষ। মোৰ নিৰ্দোষিতাৰ কথা মই ৰামচন্দ্ৰক বুজাই ক'ম। করুণাসাগৰ শ্ৰীৰামচন্দ্ৰই নিৰ্দোষীক নিশ্চয় নবধিব।"

ৰজা যযাতিয়ে সপৰিয়ালে অযোধ্যালৈ বুলি যাত্ৰা কৰিলে। বাটত নাৰদমুনিৰ লৈতে দেখাদেখি। ৰজা যযাতিয়ে নাৰদ-মুনিকো সকলো সবিস্তাৰে বিবৰিলে।

নাৰদমুনিয়ে হাঁহি ক'লে, "হে ৰজা যযাতি, বিপদকালত তোমাৰ বুদ্ধিভ্ৰংশ হ'ল। ৰামচন্দ্ৰ যে 'এক বাণ, এক বচন'ৰ নৰ, নাজানানে কি? তেওঁ তোমাক দেখামাত্ৰেই বধিব, গুৰুৰ আজ্ঞালৈ উলংঘা প্ৰদৰ্শন নকৰিব। যদি

ৰক্ষা পোৱাৰ মন—তেনেহ'লে এই মুহূৰ্ততে অঞ্জনাদেৱীৰ আশ্ৰমলৈ গমন কৰা। তাত, অঞ্জনাদেৱীৰপৰা যদি অভয় পোৱা, তেনেহ'লে এইবাৰলৈ কাণে কাণ মাৰি সাৰিলা। হনুমানো কিছুদিনৰপৰা তাতেই আছে।"

নাৰদমুনিৰ কথা মতে যযাতি অঞ্জনা-দেৱীৰ আশ্ৰমলৈ গ'ল আৰু পূজাৰতা অঞ্জনাদেৱীলৈ দূৰৰেপৰাই ক'লে, আই! "মই শৰণাগত, মোক ৰক্ষা কৰক। মই প্ৰাণভিক্ষা প্ৰাৰ্থনা কৰিছোঁ।"

পূজাৰতা অঞ্জনাদেৱীয়ে ঘূৰি চালে আৰু যযাতিক ক'লে, "পুত্ৰ! ভীতি পৰিত্যাগ কৰা, মই তোমাক বিপদৰপৰা—পাবেঁ। যদি—নিশ্চয়েই ৰক্ষা কৰিম।"

ঠিক তেতিয়াই হনুমান গন্ধমাদন পৰ্বতৰপৰা আহি পাইছিলহি। যযাতিয়ে মাতা-পুত্ৰ দুয়োকো প্ৰণাম কৰিলে আৰু ক'লে, "মোৰ নাম যযাতি, মই কাশীৰ ৰজা। শ্ৰীৰামচন্দ্ৰৰ প্ৰতি মোৰ হৃদয়ত অপাৰ শ্ৰদ্ধা-ভক্তি সঞ্চিত। তথাপি—এতিয়া মই শ্ৰীৰামচন্দ্ৰৰ ভয়তে ভীত।" এই বুলি কৈ, যযাতিয়ে বিশ্বামিত্ৰ-ঘটিত ঘটনাৰ কথা ক'লে।

হনুমানে যযাতিক ক'লে, "হে ৰাজন্! মোৰ মাতৃদেৱীয়ে তোমাক অভয় প্ৰদান কৰিলেই। আৰুনো ভয় কিহলৈ?ময়ো তোমাক কথা দিছোঁ, তোমাক যেনেতেনে



ৰক্ষা কৰিমেই। যদিও—পূৰ্বাহ্নত শ্ৰীৰামচন্দ্ৰৰ কথা জনাহেঁতেন—মাতৃয়ে হয়তো তোমাক এক কথাত অভয় দান নকৰিলেহেঁতেন। তথাপি—মই জীৱিত থকালৈকে তোমাৰ কোনো ভয় নাই—এই কথা দিলোঁ তোমাক।"

হনুমানে ৰজা যযাতিক অভয় প্ৰদান কৰাৰ বাতৰি অযোধ্যাৰ সকলোতে বিয়পি পৰিল। কথাটো ৰামচন্দ্ৰৰ কাণতো নপৰাকৈ নাথাকিল, সীতাদেৱীৰ কাণতো পৰিলগৈ। অন্তঃপুৰৰপৰা ওলায়েই সীতাদেৱীয়ে তাত যশোধৰাক দেখা পালে। যশোধৰাৰ সৈতে পুত্ৰ-কন্যা দুটিও আছিল।

যশোধৰাই কান্দি কান্দি সীতাদেৱীক ক'লে, "মা জানকী, মোৰ পতিৰ প্ৰাণ ভিক্ষা দিয়া, মা!"

"হে যশোধৰা, তোমাৰ পতি হনুমানৰ আশ্ৰমত নিৰাপদ অৱস্থাত থকাৰ কথা মই জানো। গতিকে—এতিয়া যে তোমাৰ পতিৰ আৰু ভয় নাই—সেই কথা বিশ্বাস কৰা। তুমি আৰু তোমাৰ সন্তান দুটি মোৰ লগতেই থাকা।" সীতাদেৱীয়ে এওঁলোকৰ থকা-মেলাৰ বন্দৱস্ত সুচাৰুৰূপে কৰি দিলে।

ইপিনে—তিমানতে ৰামচন্দ্ৰই ধনুৰ্বাণ লৈ যযাতি-বধলৈ ওলাই পৰিছিলেই। তেওঁৰ পিছে পিছে গৈ আছিল তেওঁৰ ভ্ৰাতৃত্ৰয় আৰু মহামন্ত্ৰী সুমন্ত্ৰ। ৰামচন্দ্ৰ বাদে আন কাৰো হাততে কোনো বিধৰ অস্ত্ৰশস্ত্ৰ নাছিল।

গৈ গৈ শ্ৰীৰামচন্দ্ৰই যেতিয়া হনুমানৰ মুখামুখি হ'ল, তেতিয়া হনুমানে শ্ৰীৰামচন্দ্ৰক পুষ্পেৰে পূজা কৰি পাদ্য-অৰ্ঘ্য নিবেদিলে আৰু ক'লে, "হে পৰম করুণাময় শ্ৰীৰামচন্দ্ৰ! যযাতিলৈ দয়া কৰি কৃপা প্ৰদৰ্শন কৰোক। শক্তিহীনক দণ্ডদান—আপোনাৰ পক্ষে শোভন নহ'ব। যযাতিৰ হৈ মই আপোনাৰ পদপ্ৰান্তত এই প্ৰাৰ্থনা নিবেদন কৰিছোঁ।"

শ্ৰীৰামচন্দ্ৰই ক্ৰুদ্ধ হৈ ক'লে, "তোমাৰ সাহস দেখিছোঁ গগনচুম্বী হৈ উঠিছে! হাৰে বানৰ! এই কৃত্ৰিম প্ৰশংসাবাণীৰ কোনো মূল্য নাই। যযাতিক মোৰ হাতত সমৰ্পণ কৰাঁ, নহ'লে গুৰু আজ্ঞা লংঘনৰ পাপে মোক স্পৰ্শ কৰিব।"

"হে ৰামচন্দ্ৰ! আপোনাৰ গুৰুৰ আজ্ঞা যে কিমান অবিবেচিত আৰু অসংগত—আপুনিও নিশ্চয় জানে। যথা-সংগত কাৰণ বিনে এজন নিৰ্দোষ ব্যক্তিক বধ কৰাৰ দৰে অন্যায় কৰ্ম আপুনি কৰিবইনে? মই নিৰ্দোষ যযাতিক অভয় প্ৰদান কৰিলোঁ। তথাপি যদি তেওঁক বধ কৰিব, আগতে মোক বধ কৰি লওক।" এই বুলি কৈ, হনুমানে তাৰ দেহ ক্ৰমাগত আকাশ লংঘা কৰি তুলিলে। ক্ৰমাত, হনুমানৰ দেহ সমগ্ৰ আকাশত ব্যাপ্ত হৈ পৰিল।

এই দৃশ্য দেখি ৰামচন্দ্ৰই ক'লে, "অ', তেন্তে—তুমি ডাঙৰেই! মই দেখোন তোমাক সামান্য বানৰ বুলিহে ভাবিছিলোঁ। মোৰ বিৰুদ্ধে থিয় দিবপৰা ক্ষমতাও তোমাৰ আছে বুলি মই ভাবিবই পৰা নাছিলোঁ।"

"হে শ্ৰীৰাম! মোৰ সকলো যে আপোনাৰ পাদ্য-অৰ্ঘ্যৰ ফল, সেই কথা আগতেই আপোনাত নিবেদন কৰিছোঁ। সকলো আপোনাৰ পাদস্পৰ্শৰ মহিমা!" হনুমানে ৰামচন্দ্ৰক ক'লে।

ৰামচন্দ্ৰই এইবাৰ ধনুৰ্বাণ হনুমানলৈ টোঁৱালে। হনুমানে নিজৰ সুদীৰ্ঘ নেজডাল প্ৰবল বেগেৰে ঘূৰাই থাকিল আৰু ৰামচন্দ্ৰ-নিক্ষিপ্ত অস্ত্ৰসমূহ ওফৰাই পেলাই থাকিল।

ঠিক তেতিয়াই তালৈ বিশ্বামিত্ৰৰ আগমন হ'ল।

ৰামচন্দ্ৰৰ প্ৰতিটো অস্ত্ৰ নিক্ষিপ্ত হোৱাৰ লগে লগে হনুমানে তেওঁৰ দেহ অধিকভাৱে বৃদ্ধি কৰি থাকিল। হনুমান

ৰামচন্দ্ৰই অৰ্ধ-চন্দ্ৰাকাৰ ৰামবাণ উলিয়াই আনিলে। আৰু ঠিক তেতিয়াই—

বিশ্বামিত্ৰ মুনিয়ে দৌৰি আহি ক'লে, "ৰাম, ক্ষান্ত হোৱাঁ। এই যুদ্ধ সমাপ্ত কৰাঁ। হনুমানৰ প্ৰতি প্ৰসন্ন হোৱাঁ! এইবোৰ অঘটনীয় ঘটনাবোৰ চাই মোৰ আত্ম-অহংকাৰ গুচিল। আৰু—যযাতি যে সম্পূৰ্ণভাবে নিৰ্দোষ, সেই কথাটোও এতিয়া মোৰ উপলব্ধি হ'ল।"

ৰামচন্দ্ৰই তথাপি ক'লে, "গুৰুদেৱ! মোক ক্ষান্ত হ'বলৈ বাধ্য নকৰক। এহিক্ষণেই মই আপোনাৰ আজ্ঞা পালিম। দয়া কৰি মোক বাধা নিদিয়ক।"

ৰামচন্দ্ৰই ধনু টংকাৰি হনুমানলৈ ৰামবাণ টোঁৱালে আৰু হনুমানক ক'লে, "হনুমান! মই এই অস্ত্ৰেৰে তোমাক তোমাৰ প্ৰাপ্য দণ্ড দিম। যদি ৰক্ষা পাবলৈ মন আছে, শীঘ্ৰে যযাতিক মোৰ হাতত সমৰ্পণ কৰাঁ আৰু তুমি যে ৰাম-সেৱক হনুমান—সেই কথাৰ প্ৰমাণ জগতৰ আগত দাঙি ধৰাঁ।"

তেতিয়া হনুমানে শ্ৰীৰামচন্দ্ৰক ক'লে, "আগতেও হৈ আছিলোঁ, এতিয়াও হৈ আছোঁ, আৰু ভৱিষ্যততো হৈ থাকিম মই শ্ৰীৰামচন্দ্ৰৰ একান্ত অনুগত তথা বিশ্বস্ততম সেৱক। কিন্তু নিজ মুখৰ কথাত ৰ'ব

মহোন্নত হৈ উঠিল। এইবাৰ ৰামচন্দ্ৰই তেওঁৰ ধনু বহু ওপৰলৈ দাঙি ধৰি হনুমানলৈ বাণ নিক্ষেপ কৰিবলগীয়া হ'ল। সেই বাণ তেওঁ আকাশলৈহে নিক্ষেপ কৰিবলগীয়া হ'ল। ক্ৰমে, হনুহানৰ দেহ সমগ্ৰ বিশ্ব-চৰাচৰত ইমানেই বিয়পি পৰিল, যে ৰামচন্দ্ৰই সমগ্ৰ হনুমানক আৰু প্ৰত্যক্ষ কৰিব নোৱৰা হ'ল।

ৰামচন্দ্ৰই ক্ৰুদ্ধ হৈ ক'লে, "এইবাৰ তোমালৈ মই মোৰ শেষ অস্ত্ৰ—ৰামবাণ মাৰি পঠাম। এই বাণ নিক্ষেপ কৰাৰ অন্তত মোৰ, আৰু তোমাৰো আৰু কোনো কাম নাথাকিব।" এই কথা কৈয়েই



নোৰৰা কোনোৱেই আপোনাৰ সেৱক হোৱাৰ যোগ্যতা লাভ নকৰে। তেতিয়া আপোনাকহে অপমান কৰা হ'ব। আপুনি শীঘ্ৰে ৰামবাণ নিক্ষেপ কৰক, মই সাদৰে সেই বাণ গ্ৰহণ কৰিম।" এই বুলি কৈয়েই হনুমানৰ তেওঁৰ হাত দুখনেৰে নিজৰ বক্ষ উন্মুক্ত কৰিলে, আৰু সেই বক্ষৰ মাজত ৰামচন্দ্ৰই ৰামচন্দ্ৰৰ ৰূপ বিৰাজিত হৈ থকা দেখা পালে।

এনে অভাৱিত-অপূৰ্ব ঘটনালৈ চাই তাত উপস্থিত থকাসকল বিস্ময়-বিমুগ্ধ অৱস্থাত হতবাক হৈ পৰিল।

ৰামচন্দ্ৰই তেওঁৰ ধনু তলমুৱা কৰিলে আৰু ক'লে, "হে হনুমান! তুমি অজেয়। ময়েই তোমাৰ হাতত পৰাজিত হ'লোঁ। এই পৰাজয় মই মানি লৈছোঁ।"

হনুমানে তেওঁৰ উন্মুক্ত বক্ষ পুনৰ বন্ধ কৰিলে আৰু ৰামচন্দ্ৰক ক'লে, "হে শ্ৰীৰামচন্দ্ৰ! এই ঘটনাত জয় বা পৰাজয় বোলা একো নাই। মোৰ হৃদয়স্থিত বাণ আপুনি স্বয়ং গ্ৰহণ কৰিলে মাথোন। সেই বাণ আপোনাতে লীন হৈ গ'ল।" হনুমানে শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰিলে।

মহৰ্ষি বিশ্বামিত্ৰই হনুমানক আলিংগন কৰি ক'লে, "হে হনুমান! শৰণাগতক ৰক্ষাৰ বাবে তুমি আনকি ৰামচন্দ্ৰৰো বিৰুদ্ধতা কৰিছিলা, আৰু তুমি তোমাৰ প্ৰতিশ্ৰুতিত অটল থাকিলা। তুমি প্ৰকৃততেই বীৰ। তোমাৰ 'বীৰ হনুমান' নাম—আজি সাৰ্থক হ'ল। তোমাৰ এই যশ ত্ৰিলোকেতে স্থায়ী হওক—এয়ে তোমালৈ মোৰ অন্তৰৰ আশীৰ্বাদ।"

হনুমানে শ্ৰীৰামচন্দ্ৰক আৰু ৰামচন্দ্ৰৰ পৰিবাৰ-পৰিজনৰ সকলোকে সাষ্টাংগে প্ৰণাম কৰিলে আৰু তাৰ পাছত শ্ৰীৰামচন্দ্ৰৰপৰা বিদায় গ্ৰহণান্তে, তপস্যা-মগ্ন হোৱাৰ বাবে, পুনৰ গন্ধমাদন পৰ্বতলৈ বুলি যাত্ৰা কৰিলে।

অনন্তৰ ছো

কোনোবা এখন গাঁৱত অনন্ত নামৰ এজন হালোৱা আছিল। অনন্তৰ ভনীয়েকৰ নাম আছিল অপৰা। অনন্তই তাৰ ভনীয়েকক বৰ ভাল পাইছিল। কিন্তু অপৰা আছিল অহংকাৰী অনালগা ধুপহেন। যদিও — মৰমিয়াল অনন্তই দুহালিচা খেতিমাটি বেচিয়েই অপৰা-জনীয়ে বিয়া দিলে। আৰু পাছত নিজেও একেবাৰে একো নোলোৱাকৈয়েই দুখীয়াৰো দুখীয়া ছোৱালী এজনীক বিয়া কৰাবলে। দিয়ন-থওনৰ বিয়া-বাৰুকৰণত অনন্তৰ অত্যন্ত আপত্তি। তাৰ মতে: জীৱনৰ আটাইতকৈ অনন্দজনক তথা শুভ কামত এইবোৰ দিয়নৰ-থওনৰ বেহানি কৰিব নাপায় বিয়াৰ নামত।

চাওঁতে চাওঁতে অনন্তৰ সংসাৰিক দায়-দায়িত্ব বহুত বাঢ়িল। ভালেকেইটিমানৰ পিতৃ হ'ল অনন্ত। আৰু তাৰ ফলো মিলিল হাতে হাতে। অনন্ত দুখীয়াই আছিল, এতিয়া দুখীয়াৰো দুখীয়া হৈ পৰিল।

মৰমৰ ভনীয়েক অপৰাজনীক বিয়া দিয়াৰ পাছৰপৰা যোৱা পাঁচ বছৰতো অনন্তই তাইৰ কাষ চপা নাছিল। আজি সযাওঁ-কাইলৈ যাওঁ কৰি কৰি দিন-মাহ-বছৰবোৰ বাগৰি গৈছিল। এইবাৰ যদিও তাইৰ ওচৰলৈ যোৱাৰ, তাইক এটিবাৰ দেখাৰ প্ৰবল ইচ্ছা হ'ল তাৰ মনত, তথাপি, ইমান বছৰৰ পাছত—শুদাহাতে যায়নো কেনেকৈ ? অথচ—কিবা এটা লৈ যোৱাৰ উপায়ো তাৰ নাই। যিখিনি ধন লাগে—পায়নো ক'ত ?

ঘৈণীয়েক কপালীয়ে ক'লে, "তথাপি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

যাওকেইচোন—। তাই যদি ভালে-কুশলে আছে, আমাৰ অৱস্থাৰ কথা শুনি কিজানি ইটো-সিটো দিব। বা নগদ ধনেৰে সহায়-তহায় কৰিব। গতিকে—।"

গতিকে—অতঃপৰ অনন্ত অপৰাজনীৰ ঘৰলৈ বুলি খোজ ল'লে আৰু পুৱাৰপৰা আবেলিলৈকে খোজ কাঢ়ি কাঢ়ি বেলিয়ে যেতিয়া বিদায় মাগিলে, ঠিক তেতিয়াই অনন্তই অপৰাহঁতৰ ঘৰখন দূৰৰপৰা দেখা পালে। দেখা পালে অপৰাৱো। দূৰৰে-পৰাই। ককায়েকক চিনি পোৱাত তাইৰ ভুল হোৱা নাছিল। কিন্তু—

কিন্তু দেখাত হুবহু মগনিয়াৰ এটাৰ দৰে এই মানুহজনক তাই তাইৰ ককায়েক বুলি চিনাকি দিবলৈকো লাজ লাগিছিল, আৰু এই কথা ভাবি ভয়ো খাইছিল তাই, তাক এই অৱস্থাত বহিবলৈ পীৰা দিলেই সি ভূতটোৰ দৰে কান্ধত উঠি বহিবহি। গতিকে—তাই বেগাই ঘৰৰ ভিতৰলৈ গ'ল আৰু যিখন ভালৰো ভাল কাপোৰ পিন্ধি আছিল, সেই খন সলাই-সোলোকাই এখন ফটা-ছিঙা শাড়ীকাপোৰ পিন্ধি পুনৰ ঘৰৰপৰা ওলাই আহিল।

অনন্তই ভাবিলে: তেনেহ'লে — যিজনীক আগতে দূৰৈৰমুখত দেখা পাইছিলোঁ, সেইজনী অপৰা নহয়, আন কোনোবাজনীহে!

ফটা-ছিঙা কাপোৰ পিন্ধি অহা



অপৰাই তাইৰ ককায়েকক ক'লে, "ইমান বছৰৰ পাছত তোমাৰ মনত পৰিলনে ককাইদেউ, মোৰ অৱস্থা দেখিছাই, মই এতিয়া যি অৱস্থাত আছোঁ—ভগৱানেহে জানিছে।" তাই কান্দনামুৱা যেন হৈ ককায়েকক ক'লে।

মৰমৰ ভনীয়েকৰ অৱস্থা দেখি অনন্তৰ মনতো দুখ হ'ল। আৰু—সি আশাহীন হৈ পৰিল। যি ভাবিছিল, নহ'ব। তাইৰ-পৰা সহায়-সাৰথি পোৱাৰ কোনো আশা নাই। যিজনীয়ে নিজেই অভাৱ-অনাটনৰ সাগৰত উটিছে, সেইজনীয়ে আনক ডুবি মৰাৰপৰা কেনেকৈ উদ্ধাৰ কৰিব ?

ককায়েক যাতে ঘৰৰ ভিতৰলৈ গৈ সিহঁতৰ ভালৰ ভাল অৱস্থাৰ বুজ নাপায়, তাৰ বাবে অপৰাই অনন্তক চোতালতে খাটিয়া এখন পাৰি দিলে বহিবলৈ। মন গ'লে শুবও পাৰিব সেই ৰছীৰ তক্তাপোচত।

তাৰ পাছত—এগিলাছ পানী ককায়েক দিলে তাই। লগত বাতাচা দুখন। আৰু আই তাত আৰু নৰৈ একেদৌৰে পালেগৈ খেতি-পথাৰ। তাত তাই তাইৰ গিৰিয়েকক বুজাই ক'লে কথাটো। তাই ক'লে : আমি আজি ৰাতিৰ কাৰণে নাটৰ ভাৱৰীয়া হ'ম। তুমিও ককাইকেউৰ লগত বাহিৰতে—মানে চোতালত এখন ৰছীৰ খাটত থাকিবা। নহ'লে—ককাইদেউ

মানিবা।" অপৰাই আদেশ দিয়াৰ সুৰতে ক'লে, আৰু তাই অমূল্যৰ কাৰণেও ৰছীৰ খাট এখন আনি দিয়াত অমূল্যয়ো তাতেই লেট স'লে।

দিনটো আছিল কিবা পৰবৰ দিন। অপৰাই বিধোবিধ পদ-পদাৰ্থ ৰান্ধিছিল। অমূল্য খেতি-পাথৰপৰা আহিব, জিৰণি ল'ব, তাৰ পজত খোৱা-বোৱা কৰিব—এয়ে আছিল বন্দৰস্ত। কিন্তু—একেবাৰে দেখা যমটো যেন হৈ ওলালহি অনন্ত। অমূল্যক খাবলৈ দিয়ে কেনেকৈ তাই ?

তেতিয়া—জাৰকালি নহয় যদিও জাৰ নথকা নহয় অলপ। সেইহে তাই তাইৰ গিৰিয়েক ৰছীৰ খাটিয়াৰ তলত সৰু চুলা এখন থৈ দিছিল তপতাবৰ কাৰণে।

কিন্তু মাজনিশা যেতিয়া জাৰ বেছি হ'ল—তেতিয়া অমূল্যই সেই উমি উমি জ্বলি থকা চুলাখন তাৰ খুলশালিয়েকৰ ৰছীৰ খাটিয়াৰ তলত থৈ দিলে। তেও—বেচাৰাই অলপ আৰাম পাওকেই।

তাৰ পাছত অমূল্যয়ো চাদৰ এখন উৰি মুখলৈকে ঢাকি শুলে আৰু কেতিয়া যে তাৰো টোপনি আহিল — ক'বই নোৱাৰিলে।

ইপিনে—আগতেই কথা হৈ থকা মতে — গিৰিয়েকৰ ৰছীৰ খাটৰ তলত

যদি ঘৰৰ ভিতৰলৈ যায়, মোৰ বা তোমাৰ আৰু ৰক্ষা নাই। সি সদায় সহায়-তহায় বিচাৰি ইছুতা-সিছুতা কৰি আহি থাকিব, আহিয়েই থাকিব। আমাৰ যে ধন-ধান আছে—সেই কথা ককাইদেৰে নজনাই ভাল হ'ব, বুইছা ?"

"কিন্তু—"অপৰাৰ গিৰিয়েক অমূল্য কিঞ্চিত দ্বিধান্বিত হ'ল, আন যিয়েই নহওক—তেওঁ ইমান বছৰৰ অন্তত আহিল, আৰু আমি— ।"

শুনা, সি মোৰ নিজৰ ককাইদেউ। মোতকৈ অধিক তোমাৰ মুৰ-কামোৰণিৰ কাৰণ নাই। যি কওঁ, শুনিবা, যি বোলোঁ

তাই চুলা থৈ দিছিল। গতিকে মাজনিশা অপৰাই তাইৰ গিৰিয়েকক ফুচফুচাই ক'লেগৈ, "আহা, আহা, খাবলৈ আহা, জলদি জলদিকৈ আহাচোন।"

কিন্তু সেই ৰছীৰ খাটত ওপৰত চাদৰ উৰি শুই আছিল অনন্তহে। অনন্তই ভাবিলে যে গিৰিয়েক অমূল্যই শুনিব নোপোৱাকৈ তাক মাতিছে ভনীয়েকে। গতিকে — অনন্তই মূৰে-গাৰে চাদৰ মেৰিয়াই লৈ অপৰাৰ লগে লগে সিহঁতৰ খোৱা-কোঠালৈ গ'ল।

তাত এটা চাকি জ্বলি আছিল আৰু সেই চাকিৰ পোহৰত বিধোবিধ লোভ লগা খোৱাবস্তু দেখা গৈছিল।

অপৰাই চেপা মতেৰেই ক'লে, "পেট পূৰাই খাই থাকা। মই তাক পৰ দিওঁগৈ। তাত সৌ ডাঙৰ চৰুটোৰ ভিতৰত ঢেৰ খোৱা বস্তু আছে। যি মন যায় ল'বা। মই যাওঁ।" এই বুলি কৈয়েই তাই তাইৰ ককায়েকক পৰ দি থাকিবলৈ আন্ধাৰে-মুন্ধাৰে চোতাললৈ গ'ল।

ইপিনে—অনন্তই দন টানি খোৱাৰ উপৰিও তাৰ চুৰিয়াৰ লুচত সেই চৰুটোৰপৰা ঢেৰ সোৱাদ সোৱাদ খোৱা-বস্তু ঘৈণীয়েক কপালীৰ কাৰণে, আৰু লৰা-ছোৱালীকেইটাৰ কাৰণেও বান্ধি লোৱাৰ উপৰিও — তাত আলমাৰীৰ ওচৰত পৰি থকা ভালেখিনি টকাও বান্ধি লৈ পিছ দুৱাৰেদি ওলাই ছাতিডাল কাষলতিত লৈ ৰাতিৰ পৰতেই নিজৰ গাঁৱৰ ঘৰলৈ গুচি গ'ল।

পাছত—সেই টকাখিনিৰে এহাল গৰু আৰু গাড়ী এখন কিনি গৰুৰ গাড়ী চলাই অনন্তই তাৰে জীৱিকা নিৰ্বাহ কৰিছিল।

ভনীয়েকে তাক মৰমতে এইবোৰ দিছিল বুলি সি সকলোকে কৈছিল আৰু অনন্তই সেই গৰুৰ গাড়ীৰূপী অনন্তৰ ছো সকলোকে দেখুৱাইছিল।



অকণিৰ বাতৰি

কণমানি কটকী

এওঁলোকক 'কণমানি কটকী' বুলি কোৱা হৈছে। ৪০ খন দেশৰপৰা তিনিশমান 'কণমানি কটকী' আহিছিল জাপানলৈ। তাৰে মাজত ভাৰতৰপৰা আঠটি। এই কণ কণ কটকীহঁতে ৫ম এছীয় প্যাছিফিক চিলড্ৰেন্‌ছ কনভেনশ্যনত নিজ নিজ দেশৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। জাপানৰ ফুকুঅ'কা নামৰ ঠাইত যোৱা জুলাই মাহৰ ২৪ তাৰিখৰপৰা অগাষ্টৰ ৪ তাৰিখলৈকে এই প্ৰতিনিধি-সভা অনুষ্ঠিত হৈছিল। জুনিয়ৰ ইন্টাৰন্যাশ্যনাল চেম্বাৰ আছিল এই প্ৰতিনিধি-সভাৰ আয়োজক। প্ৰতিখন দেশে সৰ্বমুঠ আঠজনকৈ প্ৰতিনিধি পঠাব পাৰিছিল। ভাৰতৰপৰা যোৱা প্ৰতিনিধি-দলৰ নেতৃত্ব দিছিল মাদ্ৰাজৰ মোগাপ্‌পায়েৰ DAV স্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ২২ বছৰীয়া ৰি. গণেশৰত্নম্।

সন্মিলনৰ অন্তত, জাপানৰপৰা ঘূৰি আহিয়েই গণেশৰত্নমে প্ৰথমেই 'চান্দমামা'লৈ আহিছিল আৰু সেই প্ৰতিনিধি-সভাৰ অ্যালবাম আমাক দেখুৱাই আৰু তাৰ অভিজ্ঞতাৰ কথা সবিস্তাৰে কৈছিল। সিহঁত জাপানলৈ গৈ জাপানী পৰিয়ালতে থকা-মেলা কৰিছিল, আৰু কথা-বাৰ্তাৰ যোগাযোগ কৰিছিল আকাৰে-ইংগিতেৰেহে। গুটিদিয়েক জাপানী ভাষাৰ শব্দ সিহঁতে শিকি লৈছিল আৰু কিছুমান ইংৰাজি শব্দও সিহঁতে সিহঁতৰ জাপানী বন্ধুহঁতক শিকাই দিছিল। প্ৰতিখন দেশৰ কণমানি প্ৰতিনিধিহঁতে নিজ নিজ দেশৰ নৃত্য প্ৰদৰ্শন কৰিছিল, গীত-মাত শুনাইছিল, আৰু আনকি জাতীয় সাজ-পাৰ পিন্ধি প্ৰদৰ্শন কৰিবলগীয়া হৈছিল। গণেশৰত্নমে পিন্ধিছিল নিচেই সাধাৰণ পোছাক-পাতি (ফোটো দ্ৰষ্টব্য)। আমোদ-প্ৰমোদৰো কোনো অভাৱ নাছিল। গ্ৰিণলাণ্ড অ্যামিউজমিণ্ট পাৰ্ক, ম্যাৰিনল্যাণ্ডছ মহাকাশ-জাত, মিউজিয়্যাম, ডলফিন শ্বো আৰু বুলেট ট্ৰেইনত উঠি ভ্ৰমণ আদি কিমান যে কত বন্দৱস্ত !

প্ৰতিনিধি-সন্মিলনৰ ঘোষণাৰ কথাও গণেশৰত্নমে আমাক কৈছিল। তাত ঘোষণা কৰা হৈছিল : "আমি এই ঘোষণা কৰিছোঁ যে—আমাৰ এই



মনমোহা সুন্দৰী পৃথিৱী গ্ৰহটিক আমি আমাৰ সুন্দৰ ভৱিষ্যতৰ বাবে সযতনে ৰক্ষা কৰিম আৰু পৰস্পৰৰ মাজত ভাবৰ, ঐক্যৰ, প্ৰকৃত সংস্কৃতিৰ, দৰ্শনৰ আদান-প্ৰদান কৰিম। আমি আমাৰ নিজৰ নিজৰ দৰে অন্যান্য দেশৰ সাৰ্বভৌমত্বলৈ সন্মান প্ৰদৰ্শন, মানৱতাক পৰিপুষ্টি, হৃদয়ৰ ভাৱ-গত বিনিময়, বন্ধুত্বৰ অনাজৰীক অটুট ৰখা, আৰু সমগ্ৰ পৃথিৱীক একতাৰ ডোলেৰে আবদ্ধ কৰাৰ বাবে সমগ্ৰ জীৱনকাল ধৰি সংগ্ৰাম কৰিম।" প্ৰতিনিধিবৰ্গক কোৱা হৈছিল, "শিশুসকলেই ভৱিষ্যতৰ নেতা আৰু শান্তিৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰোঁতা।"

আমি এনে এক মহান নেতালৈ শুভেচ্ছাৰে সৈতে বৈ থাকিম।

চাৰিবছৰীয়া চালিকা!

মটৰগাড়ী এখন চলাবলৈ কাৰনো মন নাযায়? মন গৈছিল যুহি অগ্ৰৱালৰো। তাই তেতিয়া মুঠেই চাৰিবছৰৰ ডেওনাত ভৰি দিয়া ছোৱালীজনী! তথাপি তাই তাইৰ মন যোৱাছন--কৰিহে এৰিলে। যদিও —অন্যান্য মইনাইতৰ দৰে তাইৰো পুতলাতে বৰ মন, তথাপি, মটৰ চলোৱাৰ কঠিন কামও তাই সহজ কৰি ল'লে। অৱশ্যে —এই কামত তাইৰ পিতৃ-মাতৃ সহায় হ'ল। তেওঁলোকে যেতিয়া তাইৰ এই প্ৰৱণতালৈ—মটৰ গাড়ী চলোৱাত ধাউতিলৈ মন কৰিলে তেতিয়াই তেওঁলোকে তাইক এই বিষয়ে প্ৰশিক্ষণ দিয়াৰ বন্দৱস্তও কৰি দিলে। তাইক তেওঁলোকে ড্ৰাইভিং-শিকা স্কুললৈ পঠালে, আৰু তাত সহজেই বাট-পথৰ নিয়ম-কানুন, ছিগন্যালিং, ষ্টিয়েৰিং চলোৱা আদি কাম নিৰ্ভুল নিপুণতাৰে শিকি ল'লে। এতিয়া, চাৰিবছৰীয়াতে তাই চহৰ-নগৰৰ বাট-পথতো নিৰ্বিঘ্নে-নিশ্চিন্তে মটৰ চলাব পাৰিছে! তাই তাইৰ তিনি বছৰ বয়সৰপৰা সাঁতোৰতো অতি পটুতা প্ৰদৰ্শন কৰিছে; আৰু তাই আনকি এতিয়াই ১২ ফিট উচ্চতাৰ-পৰা পানীলৈ জাঁপ মাৰিবপৰা হৈছে।

প্ৰসংগক্ৰমে আন এটা বিষয়ৰো উল্লেখ নকৰি নোৱাৰি। মহীশূৰ বিশ্ববিদ্যালয় এজন মেকানিক্যাল এনজিনিয়াৰে 'টয়মটো' নাম দি শিশুইতৰ কাৰণে মটৰগাড়ী সাজি উলিয়াইছে। ৩৫ চি-চি পেট্ৰল-এনজিনেৰে এই মটৰগাড়ী চলাব পৰা হ'ব। এই গাড়ীয়ে ৮৫ কিলগ্ৰাম ওজন কঢ়িয়াব পাৰিব। মূল্য আনুমানিক ১৫০০০ টকা।

ঠিক চাই টোকোন

সুন্দৰলাল আছিল সুখপুৰৰ এজন আঢ্যৱন্ত খেতিয়ক। তেওঁ তেওঁৰ একমাত্ৰ জীয়েকৰ বিয়াৰ প্ৰস্তুতিত দেহে-কেহে লাগি গৈছে। নিকটাত্মীয় নহয়, যদিও এক-প্ৰকাৰে আত্মীয়ৰে ল'ৰা এটিক দৰা হিচাপে বাছি-বিচাৰি উলিয়াইছে তেওঁ, কিন্তু এই কথাতে পৰিবাৰৰ লগত লাগিল কথাৰ বিবাদ। পৰিবাৰৰ মতে: নৰেন নামৰ সেই ল'ৰাটোৰ একোৱেই নাই। সি লোকৰ চাৰি হালিচামান মাটি-পট্টা হিচাপে লৈ খেতি-বাতি কৰি কৰি মাক-দেউতাকৰে সৈতে পেট প্ৰৱৰ্তায়। ঠিক চাই টোকোন পুতিব নাজানে সি।

"তাতকৈ" — সুন্দৰৰলালৰ পৰিবাৰ সুশীলাই ক'লে, "তাতকৈ মোৰ সখি দুৰ্গাৰ ল'ৰা প্ৰতাপেই ভাল। ঢেৰ ভাল। সিহঁতৰ আমাৰ দৰেই সা-সম্পদ ধন-ধান আছে, আমাৰ সৈতেও মিলিব, নমিতাৰ সৈতেও যোৰৰো যোৰ পাভ যোৰ হ'ব।"

সুন্দৰলালে ক'লে, "প্ৰতাপক বেয়া নোকোৱাকৈও নৰেনক ভাল বুলি সহজেই ক'ব পাৰি। সা-সম্পদ ধন-ধানৰ কথা কৈছা যে—আমাৰখিনিনো পাব কোনে? নমিতাজনীয়েই নাপাবনে? স্বামী-স্ত্ৰী হ'ব লাগে—এহাল বলদৰ দৰে। ইটোক মৰিয়ালে সিটোৱেও দুখ পায়।"

"তো—আপুনি কি ক'ব খুজিছে? মোৰ সখিৰ ল'ৰাটোৰ—প্ৰতাপৰ বুজ-বিবেচনা নাই?" সুশীলাই খেচখেচালে।

সুন্দৰলালে ক'লে, "মই সেই কথা ক'লোঁনে? মোৰ দেউতা ভাল মানুহ আছিল বুলি ক'লেই তোমাৰ দেউতাৰাক

ৰাধা ৰাজমেধি

বেয়া বুলি কোৱা হ'বনে ?—ঠিক আছে, এই কথাত চাহৰ পিয়লাত ধুমুহাৰ সৃষ্টি নকৰি—প্ৰতাপ অৰু নৰেনৰ মাজত এটা পৰীক্ষা লোৱা হওক। তেতিয়া—তুমিয়েই চাবা জিকবা আৰু হৰা, তুমিয়েই ঠিক কৰিবা—কোন হ'ব নমিতাজনীৰ দৰা।"

এই কথাত সন্মত হোৱাত, পাছ দিনা প্ৰতাপক মতাই আনি সুন্দৰলালে প্ৰতাপক ক'লে, "এটা কাম কৰি দিয়াচোন বোপা। হাটলৈ গৈ এহাল বলদ কিনি আনাগৈ। এয়া লোৱা—টকা। চাবা—বলদহালৰ মিলা-প্ৰীতি আছেনে নাই—তাকেই চাই ল'বা। বলদহালৰ মাজত মিলা-প্ৰীতি নাথাকে যদি হাল বাবৰ কামখিনি ঠিকমতে নহ'ব।"

প্ৰতাপ গ'ল হাটলৈ। গৈ—গোটেইখন হাট ঘুৰি-পকি চালে। কিন্তু—ইমান বলদ-গৰুৰ মাজত কোনটোৰ লগত কোনটোৰ মিলাপ্ৰীতি আছে বা নাই—ঠাৱৰ কৰিব নোৱাৰিলে। এই বিষয়ে আক-তাক সোধাত সিহঁতে প্ৰতাপক চেৰা-বলিয়া বুলি ভাবি ইতিকিংহে কৰিলে। প্ৰতাপে হাটৰপৰা 'মিল-প্ৰীতি থকা বলদ' এহাল কিনিব নোৱাৰিলে আৰু উভতি খোজ ল'লে।

হাটত হোৱা ঘটনাৰ কথা ভাঙি-পাতি কোৱাৰ অন্তত প্ৰতাপে মন্তব্য কৰিলে, "হাটৰ হা-তে কা তোলাইঁতেও যেতিয়া



মোলৈ ইতিকিং কৰি থাকিল, মোক জোকাই থাকিল, তেতিয়া বলদ কিনা বাদ দি, গুচি আহিলোঁ।"

"ভাল কৰিলা বোপাই। তুমি এতিয়া ঘৰলৈ গৈ জিৰণি লোৱা।"

প্ৰতাপ তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

আৰু পাছ মুহূৰ্ততে নৰেনক মাতি অনা হ'ল। প্ৰতাপক যি-কথা কোৱা হৈছিল, সুন্দৰলালে সেই একেইখিনি কথা নৰেনকো ক'লে আৰু তাক টকা দিলে বলদ এহাল কিনি অনাৰ বাবে।

পাছদিনা নৰেন হাটলৈ গ'ল, আৰু হাটৰপৰা স্বাস্থ্যৱান বলদ এহাল কিনি লৈ আহিল।

তাত তেতিয়া সুন্দৰলালৰ পৰিবাৰ সুশীলাও আছিল। সুন্দৰলালে নৰেনক ক'লে, "ব ল দ হা' ল —দেখাই-মেলাই বাস্তৱিকেই ভাল। কিন্তু—ইহঁতৰ মাজত মিলা-প্ৰীতি থকাৰ কথাটো তুমি বুজি পালা কেনেকৈ?"

"এই হালৰ বা-বিবৰণ ইহঁতৰ গৰাকীৰপৰা জানি ল'লোঁ আৰু তাৰ পাছতহে কিনিলোঁ।" নৰেনে ক'লে।

সুশীলাই কিঞ্চিত ব্যংগমিশ্ৰিত কণ্ঠেৰে ক'লে, কিন্তু — মিল-প্ৰীতিৰ কথাটো জানিছিলা কেনেকৈনো?"

নৰেনে ক'লে, "কিনাৰ আগতে— এটাক লাঠিৰে মাৰিলোঁ, আৰু লগে লগে সিটো বলদেও জাঁপ মাৰিবলৈ ধৰিলে। তেতিয়া ইটোৰ কাৰণে সিটোৰ মৰমৰ কথা বুজি পালোঁ।"

সুন্দৰলালে হাঁহি মাৰি পৰিবাৰক ক'লে, "শুনিলানে? এতিয়া— তুমিয়েই কোৱা—ঠিক চাই টোকোন পোতা কাৰ প্ৰশংসা কৰা—কাক তুমি এৰা, আৰু কাক কৰা দৰা।"

সুশীলায়ো হাঁহি মাৰি ক'লে, "তোমাৰ বাছনিয়েই বাছনি, মোৰো সেয়ে আঁচনি।"

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য



মৌমাখিৰ জীৱাশ্ম

পাঁচ কোটি বছৰৰ আগতেও মৌমাখি আছিলনে ? আছিল—বুলিয়েই কোৱা হৈছে। জাৰ্মানিৰ পুৰাতাত্ত্বিক-বিশেষজ্ঞসকলে জাৰ্মানদেশৰ ইফেল সীমান্তৱৰ্তী ঠাইত এটা শিলৰ গাত সৰু মৌমাখিৰ জীৱাস্থি আৱিষ্কাৰ কৰিছে। এই জীৱাস্থি ৯ মিলি মিটাৰ দীঘল। আজিৰ মৌমাখিৰ সৈতে পাঁচ কোটি বছৰৰ আগৰ মৌমাখিৰ প্ৰভেদ নিচেই নামমাত্ৰ !



ডায়নোছোৰাছৰ ডিমা

চীনদেশত, সাতকোটি পঞ্চাছ লাখ বছৰৰ আগতে পৃথিৱীৰ সবাতোকৈ বিৰাটাকাৰ জন্তু ডায়নোছোৰাছৰ ডিমা আৱিষ্কৃত হৈছে। আমেৰিকাত ডায়নোছোৰাছৰ ডিমা পোৱা গৈছিল চৈধ্য কোটি পঞ্চাছ বছৰৰ আগৰ। চীনদেশৰ হেনানৰ ওচৰত ডায়নোছোৰাছৰ যি যোৱা-ডিমা পোৱা হৈছে, সেই ডিমাৰ গৱেষণাৰ বাবে জাৰ্মানিৰ হানোভাৰলৈ পঠোৱা হৈছে। আমেৰিকাৰ ডেন'ভাৰতো যোৱা-ডিমা পোৱা গৈছিল ; কিন্তু সেই ডিমা আছিল ভগা, সেই ভগা ডিমাৰ ভিতৰত জীৱাশ্ম-পিণ্ড অৰ্থাৎ—ডিমাৰ কুহুম পোৱা হৈছিল। তাৰো আগতে আমেৰিকাৰ কোলোৰাডো অঞ্চলত ছটা ডায়নোছোৰাছৰ ডিমা পোৱা হৈছিল। বিশাল ডায়নোছোৰাছৰ বিৰাট ডিমা বিৰাট ডিমা এটা পাইছিল আমেৰিকাৰ উটাহ্‌ নামৰ ঠাইত। এই ডিমাটো কুকুৰাৰ কণীতকৈ ডাঙৰ আছিল।

দাঁত-থকা বাদুলি

গিনেছ বুক অৱ ৰেকৰ্ডছৰ মতে, পৃথিৱীত যি তিনিবিধৰ দুৰ্লভ বাদুলি আছে, দাঁত-থকা বাদুলি তাৰ মাজত অন্যতম। পঞ্চলিছ বছৰৰ আগতে, এ. এফ. হাটন নামৰ পক্ষী-বিজ্ঞানী এগৰাকীয়ে তামিলনাড়ুৰ পাৰ্বত্যাঞ্চলত এবিধ বাদুলি বিচাৰি পাইছিল। তেওঁ ইবিধক সাধাৰণ বাদুলি বুলিয়েই ভাবিছিল। কিন্তু বম্বেস্থিত 'ন্যাচাৰ্যাল হিস্ট'ৰি ছোছাইটি'য়ে এইবিধ বাদুলিক দুৰ্লভ দাঁত থকা বাদুলি বুলি ঘোষণা কৰিলে। এই প্ৰজাতিৰ বাদুলিৰ নামকৰণ পৃথিৱীৰ বিশিষ্ট পক্ষী বিজ্ঞানী ছলিম আলীৰ নামানুসাৰে 'ল্যাটিডেনজ ছলিম আলী' বুলি কৰা হ'ল। সম্প্ৰতি, ইংল্যাণ্ডৰ বি. এন. এইচ এছ. সম্বাৰ আৰু হ্যাৰিছন জুলজিক্যাল মিউজিয়ামৰ সৈতে যুক্ত আন এগৰাকী পক্ষী-বিজ্ঞানীয়েও তামিলনাড়ুৰ পাৰ্বত্যাঞ্চলত সেই একেই দাঁত-থকা বাদুলি বিচাৰি পোৱা হৈছে !



চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

N. Sambasiva Rao

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ ডিচেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ মবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পোৱাই পায় ঘাট দ্বিতীয় ফটো : পোহৰে মেলিলে ফাট

মৃদুলা দাস, পেৰেকী, মাইথান ৰোড, তেজপুৰ, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেংকৰ ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বডাপালানি মাদ্ৰাজ-৬০০-০২৬


Bakeman's
Say
so long
to every
other
toffee
Bakeman's
DRUM BEAT
Bakeman's are proud
to announce the luxury
length toffee you've
been longing for, in 3
unbeatable flavours:
Chocolate, Milk
and Coconut.
DRUM BEAT
DRUM BEAT
DRUM BEAT
K SWAMY/BBDO BIPL 7442

CHANDAMAMA (Assamese) December 1993 Regd. No. TN / MS (S) / 87